# সোনোৱাল কছাৰীসকলৰ ভৌতিক-সংস্কৃতি

ডিব্ৰুগড় বিশ্ববিদ্যালয় স্নাতক তৃতীয় বৰ্ষৰ ষষ্ঠ ষাণ্মাসিকৰ অসমীয়া
DSE-2(H) কাকতৰ বাবে প্ৰস্তুত কৰা ক্ষুদ্ৰ গৱেষণা প্ৰকল্প


তত্ত্বাৱধায়ক
শ্ৰীমতী কুকিলা শ্যাম
সহযোগী অধ্যাপিকা
অসমীয়া বিভাগ

প্ৰস্তুতকৰ্তা
লখিমী দাস
স্নাতক তৃতীয় বৰ্ষৰ
অসমীয়া বিভাগ
ৰোল নং : 30810105
ৰেজিষ্ট্ৰেশন নং : S1921641
শ্ৰেনী ৰোল নং : 114


**নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ**

# সূচীপত্ৰ

কৃতজ্ঞতা –
তত্ত্বাবধায়কৰ প্ৰমানপত্ৰ -
বিভাগীয় প্ৰধানৰ প্ৰমানপত্ৰ -
০.০০ প্ৰস্তাৱনা
০.০১ বিষয়ৰ পৰিচয়
০.০২ বিষয়ৰ প্ৰয়োজনীয়তা
০.০৩ বিষয়ৰ পৰিসীমা
০.০৪ বিষয়ৰ অধ্যয়ন পদ্ধতি
০.০৫ পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা
প্ৰথম অধ্যায় – সোনোৱাল কছাৰীসকলৰ চমু পৰিচয়

দ্বিতীয় অধ্যায় – সোনোৱাল কছাৰীসকলৰ ভৌতিক সংস্কৃতি -

- ১.০১ : সোনোৱাল কছাৰীসকলৰ লোক শিল্প আৰু লোককলা
- ১.০২ : সোনোৱাল কছাৰীসকলৰ লোক স্থাপত্যবিদ্যা
- ১.০৩ : সোনোৱাল কছাৰীসকলৰ লোক আচৰণ
- ১.০৪ : সোনোৱাল কছাৰীসকলৰ লোকখাদ্য আৰু ৰন্ধন প্ৰণালী

তৃতীয় অধ্যায়:-
সিদ্ধান্ত –
সামৰনি –
তথ্য দাতাৰ তালিকা –
গ্ৰন্থ পঞ্জী –
গ্ৰন্থ পঞ্জী টোকা –
আলোকচিত্ৰ -

# অসমীয়া বিভাগ

# নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ

স্থাপিত : ১৯৫৯

## প্রমান পত্র

শ্ৰীমতী **লখিমী দাস** স্নাতক কলা শাখাৰ ষষ্ঠ ষাণ্মাসিকৰ (ৰোল নং **১১8**) ছাত্ৰী। তেঁও মোৰ তত্ত্বাৱধানত **DSE-2(H)** পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ বাবে **“সোনোৱাল কছাৰী সকলৰ ভৌতিক সংস্কৃতি”** বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে। তেঁও সম্পূৰ্ণ নিজা অধ্যয়নৰ জৰিয়তে এই প্ৰতিবেদন দাখিল কৰিছে।

গৱেষণা প্ৰকল্প কাৰ্যত তেঁওৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

তত্ত্বাৱধায়ক

অসমীয়া বিভাগ

**নন্দনাথ শইকীয়া মহাবিদ্যালয়, তিতাবৰ**

# অসমীয়া বিভাগ

# নন্দনাথ শইকীয়া মহাবিদ্যালয়

তিতাবৰ, জিলা- যোৰহাট, অসম, পিন-৭৮৫৬৩০

প্ৰসঙ্গ নং ........................ তাৰিখঃ

প্ৰমান পত্ৰ

শ্ৰীমতী **লখিমী দাস** স্নাতক কলা শাখাৰ ষষ্ঠ ষাণ্মাসিকৰ (ৰোল নং **১১৪**) ছাত্ৰী। তেঁও কুকিলা শ্যামৰ তত্ত্বাৱধানত **DSE-2(H)** পাঠ্যক্ৰমৰ অন্তৰ্গত প্ৰকল্প কাকতৰ বাবে **"সোনোৱাল কছাৰী সকলৰ ভৌতিক সংস্কৃতি"** বিষয়ত গৱেষণা কাৰ্য সম্পন্ন কৰি প্ৰকল্পটিৰ এটি প্ৰতিবেদন প্ৰস্তুত কৰিছে।

গৱেষণা প্ৰকল্প কাৰ্যত তেঁওৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

বিভাগীয় প্ৰধান
অসমীয়া, বিভাগ
নন্দনাথ শইকীয়া মহাবিদ্যালয়,
তিতাবৰ

# কৃতজ্ঞতা জ্ঞাপন

"সোনোৱাল কছাৰীসকলৰ ভৌতিক সংস্কৃতি" – এটি সমীক্ষাত্মক অধ্যয়ন শীর্ষক গৱেষণা গ্রন্থখন কুকিলা শ্যাম বাইদেউৰ তত্ত্বাৱধানত প্রস্তুত কৰিবলৈ প্রয়াস কৰা হৈছে।

বিষয়বস্তু নির্বাচনৰ পৰা গৱেষণা বিষয়ত বহুমূলীয়া দিহা-পৰামর্শৰ লগতে বিভিন্ন সমস্যাসমূহ সমাধানৰ বাইদেউৱে সম্পূর্ণ সহযোগিতা আগবঢ়ালে যাৰ বাবে তেখেতৰ প্রতি আন্তৰিক শ্রদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

গৱেষণা গ্রন্থৰ বাবে বিভিন্ন তথ্য সম্পর্কে সম্ভেদ দি মোৰ গৱেষণা গ্রন্থত সহযোগিতা আগবঢ়োৱা, ন-পাম চেৰেলি গাঁৱৰ বিমলা সোনোৱাল, বৰপাছী গাঁৱৰ অনিমা কছাৰী, শদিয়াল কছাৰী গাঁৱৰ মনিশা শইকীয়া, বৰপাছী গাঁৱৰ ললিতা কছাৰী, গোহাই গাঁৱৰ প্রিয়ংকা দাস আদি সকলোকে ধন্যবাদ জনালোঁ।

মোৰ গৱেষণা কর্মৰ বাবে আগবঢ়োৱা অনুমতি প্রদান কৰা নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সমূহ কর্মকতাক ধন্যবাদ জনালোঁ।

ডি.টি.পি.ত সহায় কৰা বুবু বৰা আৰু গৱেষণা ক্ষেত্রত অধ্যয়নৰ বাবে বিভিন্ন ঠাইলৈ যোৱা কিতাপ-পত্র দি সহায় মোৰ মৰমৰ বান্ধৱী চয়নিকা শইকীয়া, ৰিঞ্জুমনি কছাৰী আৰু বার্বি গগৈ লৈ গৱেষণা কার্যত আৰম্ভনিৰ পৰা শেষলৈ সহায় আগবঢ়োৱা মা-দেউতা, নবৌ, দানা আৰু বাইদেউ লৈ চিৰকৃতজ্ঞ হৈ ৰ'লো।

লখিমী দাস

## 0.00 প্ৰস্তাৱনা :

সোনোৱাল কছাৰীসকলে উজনি অসমৰ এক ভুমিপুত্ৰ জনজাতি, সোনোৱাল কছাৰীসকল তিব্বতধৰ্মী, ভাষা পৰিয়ালৰ বড়ো, কছাৰী মূলৰ এটা ঠাল । অসমৰ ধেমাজি, লক্ষীমপুৰ, তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাত বিস্তাৰিত ভাৱে বসবাস কৰে।

সোনোৱাল কছাৰীসকল উজনি অসমত বাস কৰি অহা এক পুৰণি জনজাতি। সোনোৱাল কছাৰীসকল মংগোলীয় গোষ্ঠীৰ অন্তৰ্গত। আদিম কালত এই লোকসকলে সোৱনশিৰি নদীৰ বালিৰ পৰা সোণ বুটলা কাম কৰা কাৰনেই এই জনজাতি লোক সকলৰ নাম সোনোৱাল কছাৰী বুলি এছাম লোকে ক’ব খোজে। আকৌ এচাম মানুহৰ মুখ বাগৰি অহামতে উজনি অসমত থকা কেইঘৰ মান সোনোৱাল কছাৰীয়ে আউনি আটি সত্ৰৰ গোঁসাই কেশৱদেৱ গোস্বামীক অলৌকিক অসম্পন্ন লোক জ্ঞান কৰি বাহঁৰ চুঙাৰে এচুঙা সোণ দক্ষিণা দি তেঁওৰ ওচৰত শৰণ লোক বাবে এই সকল লোক সোনোৱাল কছাৰী হ’ল বুলি ক’ব বিছাৰে।

কিৰাত সকলই হ’ল পৰৱৰ্তি সময়ত কছাৰীসকল। কছাৰী সকলৰ মাজত ২২ টা ফৈদ আছ। তাৰ ভিতৰত এটা হ’ল বাদু সোনলয় অৰ্থাৎ সোনৱাল কছাৰীসকল। অসমৰ উজনি খণ্ডৰ সোনালী গণ্যৰাজ্য পতি স্বকীয় জীৱন প্ৰণালীয়ে বসবাস কৰা এই সকল লোক কালক্ৰমত আন ফৈদৰ লগতে বহি গোষ্ঠীৰ আক্ৰমণৰ উপৰি পৰৱৰ্তি পৰ্যায়ত ৰাজনৈতিক, অৰ্থনৈতিক, শৈক্ষিক, যাতায়ত ব্যৱস্থা ইত্যাদি বিভিন্ন কাৰণত অসমৰ বিভিন্ন ঠাইত সিচঁৰিত হৈ পৰে। ৰজাসকলৰ সঘনাই আক্ৰমণৰ হেঁচা পোৱাত কোনো কোনৱে মূলৰ পৰা ফাটি আহি অসম উপত্যকাৰ ঠায়ে ঠায়ে বসতি কৰিবলৈ লয়। এনেধৰণে ফাটি অহাৰ ফলতেই মূল কছাৰীৰ পৰা বড়ো, মেছ, ৰাভা হাজং, ডিমাছাং লালুং, ঠেঙাল, সোনোৱাল কছাৰীৰ সৃষ্টি হয় বুলি অনুমান কৰে।

## ০.০১- বিষয়ৰ পৰিচয় –

ভৌতিক সংস্কৃতিৰ ক্ষেত্ৰত সোনোৱাল কছাৰীসকল চহকী বুলিব পাৰি। দৈনন্দিন জীৱনত পুৰষ-মহিলা উভয়ে জীৱনৰ প্ৰয়োজনীয়খিনি পূৰণ কৰিবৰ বাবে কেনেকৈ ঘৰ-দুৱাৰ নিৰ্মাণ কৰে, কেনেকৈ খেতি-বাটি কৰে, কেনেদৰে বাচন-বৰ্তন প্ৰস্তুত কৰে, যন্ত্ৰপাতি নিৰ্মাণ কৰে, কেনেকৈ খাদ্য দ্ৰবন ৰান্ধে, এই সকলোকে আমি ভৌতিক সংস্কৃতিৰ তিভৰত ধৰিব পাৰো। ভৌতিক সংস্কৃতিক চাৰিটা ভাগত ভাগ কৰা হৈছে –

১) লোকশিল্প আৰু লোককলা

২) লোকস্থাপত্য বিদ্যা

৩) সাজপাৰ – অলংকাৰ

৪) লোকখাদ্য

## ০.০২- বিষয়ৰ প্ৰয়োজনীয়তা –

লোক বিশ্বাস, লোকচাৰ, ধৰ্মীয়, ৰীতি-নীতি, পৰম্পৰা আদিৰ দ্বাৰা একোটা জাতিৰ বৈশিষ্ট্যৰ উমান পাব পাৰি । জাতি জনজাতি সমূহ সাজপাৰ, অ-অলংকাৰ, কৃষি প্ৰণালী, পালন কৰা ধৰ্মীয় উৎসৱ পাৰ্বন গৃহ নিৰ্মাণ প্ৰণালী আদি সুকীয়াভাৱে আমি জানিব পাৰো। মানুহে দৈনন্দিন জীৱনত যি ক্ৰিয়াৰ কৰ্ম সম্পাদন কৰে তাৰ পৰিমাৰ্জিত ৰূপেই হ'ল সংস্কৃতি। জাতি জনগোষ্ঠীসমূহৰ বিষয়ে বিতং অধ্যয়ন কৰি আমি সেই সমূহৰ ঐক্য আৰু সংহতিসমূহৰ বজাই ৰখা আদি জানিব পাৰো। এই জাতি জনগোষ্ঠীৰ বিষয়ে অধ্যয়ন কৰি আনি বিভিন্ন জাতি জনগোষ্ঠীৰ সমাজ ব্যৱস্থা, উপাস্য দেৱতা, ভাষা সাহিত্য, আচাৰ-ব্যৱহাৰ আদিৰ তুলনামূলক জ্ঞান লাভ কৰিব পাৰি।

## ০.০৩ বিষয়ৰ পৰিসীমা –

এই গৱেষণা পত্ৰখনৰ মূল বিষয় সোনোৱাল সকলৰ ভৌতিক সংস্কৃতি বিষয়ে আলোচনা কৰা হৈছে। এই বিষয়টোৰ ভিতৰত লোকপিয়ল আৰু লোককলা, লোকস্থাপত্য, সোনোৱালসকলৰ সাজপাৰ-অলংকাৰ আৰু খাদ্য প্ৰণালী বিষয়ে আলোচনা কৰআ হ'ব। গৌণ বিষয় হিচাপে সোনোৱাল কছাৰী সকলৰ বিষয়ে চমু (পৰিচয়) আলোচনা কৰা হৈছে।

## ০.০৪ বিষয়ৰ অধ্যয়ন পদ্ধতি –

আলোচনা কৰিবলৈ লোৱা গৱেষণা পত্ৰখন বিষয়টো বিশ্লেষনাত্মক আৰু বৰ্ণনাত্মক পদ্ধতিৰ সহায়ত আলোচনা কৰা হৈছে। বিভিন্ন সমালোচক, গৱেষক সকলে প্ৰকাশ কৰা বিভিন্ন গ্ৰন্থৰ পৰা সমল সংগ্ৰহ কৰি আলোচনা পত্ৰখনি সম্পূৰ্ণ কৰা হৈছে।

## ০.০৫ – পূৰ্বকৃত অধ্যয়নৰ সমীক্ষা –

সোনোৱাল কছাৰী সকলৰ ভৌতিক সংস্কৃতিৰ বিষয়ে কোনেও পূৰ্বতে অধ্যয়ন কৰা নাই তেনেকোৱা নহয়। কিন্তু সোনোৱাল কছাৰীসকলৰ ভৌতিক সংস্কৃতিৰ বিভিন্ন প্ৰবন্ধন পাতি পোৱা গৈছে যদিও প্ৰতিবেদনৰ এটি পূৰ্বকৃতি অধ্যয়ন কৰিবলৈ সেইসমূহ যথেষ্ট বা পৰ্য্যাপ্ত নহয়। প্ৰত্যেক বিষয়ৰে পুংখানুপুংখ তথ্য আৰু বিশ্লেষণহে বিষয়বস্তুক প্ৰকৃতমাত্ৰা প্ৰদান কৰে। সোনোৱাল কছাৰীসকল 'ইতিবৃত্ত' অসমৰ জনজাতি, প্ৰমোদ চন্দ্ৰ ভট্ৰাচাৰ্যৰ ৰচিত গ্ৰান্থখনত পোৱা যায়। গৱেষণা গ্ৰথখন প্ৰস্তুত কৰোতে হাতপুথই হিচাপে লোৱা কিতাপ কেইখন ড০ জিন্টু হাজৰিকাৰ "সোনোৱাল কছাৰীসকলৰ লোকজীৱন" অংশ্যমান দাসৰ "অসমৰ বাৰেবৰনীয়া সংস্কৃতি", ড০ মৃণালী কাগয়ুংৰ "অসমভ সংস্কৃতি অধ্যয়ন", প্ৰমদ চন্দ্ৰ দাসৰ "অসমৰ সংস্কৃতিৰ জিগ্যাসা", অজয় ৰাজখোৱাৰ "উত্তৰ পূৰ্বাঞ্চলৰ জনগোষ্ঠীৰ সাজপাৰ" আৰু ড০ অংশুমান দাসৰ "অসমৰ জনগোষ্ঠীয় লোকখাদ্য" ইত্যাদি পৰা বিভিন্ন তথ্য সমূহ লোৱা হৈছে।

# অধ্যায় ১

## সোনোৱাল কছাৰী সকলৰ পৰিচয় :

মনোৰম প্ৰাকৃতিক পৰিৰেশেৰে পৰিবেষ্টিত অসমত জনগাঁথনি বৈশিষ্ট্যপূৰ্ণ। ইতিহাসৰ বিভিন্ন ক্ষণত নানা কাৰণত অসমলৈ আৰ্য-অনাৰ্য অনেক লোকৰ আগমন ঘটিছে আৰু অসমৰ সামাজিক-সাংস্কৃতিক জীৱনৰ অংশীদাৰ হৈ অসমক এখন ক্ষুদ্ৰ ভৰতবৰ্ষত পৰিণত কৰিছে। অসমত বসবাস কৰআ প্ৰতিটো জনগোষ্ঠীৰে স্বকীয় সামাজিক-সাংস্কৃতিক পৰম্পৰআ আছে। নিজা সংস্কৃতি ধৰি ৰাখিও এই জনগোষ্ঠীসমূহে পাৰমাণৱিক আদান-প্ৰদানৰ জৰিয়তে অসমত এক বৈশিষ্ট্যপূৰ্ণ সংস্কৃতি গঢ়ি ভুলিছে।

অসমত বসবাস কৰা জনগোষ্ঠীসমূহৰ ভিতভত মংগোলীয় নৃ-গোষ্ঠী সমূহত বড়োসকল এক বৃহৎ জনগোষ্ঠী। সোনোৱাল কছাৰীসকল এই বড়ো সকলভে এটা অন্যতম শাখা। নৃতাত্বিক পণ্ডিতসকলৰ মতে মংগোলীয় নৃ-গোষ্ঠীৰ মানুহৰ পৰিচয় এনেধৰনৰ - নাক ভোটা আৰু চুটি, গালৰ হাড় উঠঙা, চকুৰ বাদু ওলোৱা, চুলি থিয়, কলাফুল শকত আৰু গা আটিল। সোনোৱাল কছাৰীসকলৰ মাজতো এই শাৰীৰিক বিদ্যমান।

জনগোষ্ঠীটোৰ "সোনোৱাল কছাৰী" নামকৰনৰ সম্পৰ্কত অনেক জনশ্ৰুতি প্ৰচলন আছে। তাৰ ভিতৰত এটি জনশ্ৰুতি অনুসৰি অৰিমত্ত ৰজাই নিজ পিতৃক বধ কৰি পিতৃহত্যা পাপৰ পৰা পৰিত্ৰান পাবলৈ এক যজ্ঞৰ আয়োজন কৰিছিল। কিন্তু পিতৃহত্যা পাপৰ আৰিমত্তই আয়োজন কৰা যজ্ঞত ব্ৰাহ্মন-মজ্জনসকল উপস্থিত নাথাকিল। মনৰ দুখতেই আৰিমত্তই যজ্ঞৰ কাৰনে গোটোৱা সমস্ত সোন নাৱেৰে লৈ আহোতে সোৱনশিৰি নৈৰ বালিত সোনৰ চেকুৰা বিয়পি পৰে। এই কথাৰ সম্ভেদ পাই সোনোৱাল কছাৰীসকলে নৈৰ বালিৰ পৰা সোন চাকি উলিয়াই। সোনোৱাল কছাৰীসকলে কমোৱা সোনেৰেই আহোম ৰজাই শিৱদৌলৰ সোনৰ কলহ নিৰ্মাণ কৰাইছিল।

এনেধৰণৰ মত বা জনশ্ৰুতিসমূহৰ পৰা প্ৰতীয়মান হয় যে 'সোনোৱাল কছাৰী' নামটো মূলত বৃত্তিমূলক। এওঁলোকে নিজকে কাশ্যপ গোটৰ অন্তৰ্গত আৰু ভীম হিড়িম্বাৰ সন্তান বুলি পৰিচয় দিয়ে। কছাৰীসকলে উজনি অমসৰ শদিয়াত

হালালী ৰাজ্য স্থাপন কৰি দীৰ্ঘদিন ধৰি ৰাজত্ব কৰে। সোনোৱাল সকলৰ মাত মুঠ ৭ টা খেল আৰু ১৪ টা বংশ আছে। খেল সাতটা হৈছে- বালিখিতাৰী ২) শ্ৰী পুৰীয়া, ৩) অমৰা নৰীয়া, ৪) টিপমীয়া, ৫) উজনি কুচিয়াবা ৬) নামনি কুচিয়াবা আৰু ৭) ধুলিয়াল । আনহাতে বংশ চৈধ্যতা হৈছে – ১) মানিকিয়াল, ২)হগ্ৰাল, ৩) মুক্তাল, ৪) মদন, ৫) এজমাল, ৬) ফৰমাল, ৭) কুমৰাল, ৮) ঢেকিয়াল, ৯) বৰ হাজোৱাল, ১০) সৰু সাজোৱাল, ১১) দংৰাল, ১২) ডিঙিয়াল, ১৩) লঠিয়াল, ১৪) চেতিয়াল। এওঁলোকৰ প্ৰত্যেক বংশৰে একোজন মূল উপৰি পুৰুষৰ নাম পোৱা যায় আৰু প্ৰতিটো বংশৰে চাৰিটাকৈ পৰিয়াল থাকে। অৱশ্যে আজিকালি তেওঁলোকৰ পৰিয়ালৰ সংখ্যা বৃদ্ধি পাইছে।

সোনোৱাল কছাৰীসকলৰ বৰ্তমান উজনি অসমৰ কেইবাখনো জিলাত সিঁচৰতি হৈ আছে। ইয়াৰ ভিতৰত প্ৰধানকৈ লখিমপুৰ, ধেমাজি, ডিব্ৰুগড়, তিনিচুকীয়া, শিৱসাগৰ, গোলাঘাট, আৰু যোৰহাট জিলাতেই তেঁওলোকৰ বসতি দেখা যায়। অৱশ্যে একালৰ অসমৰ অন্তৰ্গত অৰুনাচল আৰু নাগালেণ্ডৰ অঞ্চল বিশেষৰো সোনোৱাল কছাৰীসকলে বসবাস কৰি আছে । সোনোৱাল কছাৰীসকলৰ নিজা পিয়লমতে অসমত তেঁওলোকৰ জন সংখ্যা প্ৰায় পাঁচ লাখ।

# দ্বিতীয় অধ্যায়
# সোনোৱাল সকলৰ ভৌতিক সংস্কৃতি

ভৌতিক সংস্কৃতিক ক্ষেত্ৰতত সোনোৱাল কছাৰী সকল চহকী বুলিব পাৰি। ভৌতিক সংস্কৃতিৰ পৰিসীমাত প্ৰাত্যহিক জীৱনৰ প্ৰয়োজনীয় ভৌতিক বস্তুবোৰ সামৰিব পাৰি। বাচন-বৰ্তন, ঘৰ-দুৱাৰ, আ-অলংকাৰ, স্থপতি-বিদ্যা, ৰন্ধন প্ৰণালী, চিত্ৰকলা আদি ভৌতিক সংস্কৃতিৰ ভিতৰত পৰে। সোনোৱাল কছাৰীসকল ভৌতিক সংস্কৃতিক আমি চাৰিটা ভাগত ভগ কৰিব পাৰি।

- ১.০১ লোক শিল্প আৰু লোক-কলা
- ১.০২ লোক স্থাপত্য শিল্প
- ১.০৩ লোক আভৰন
- ১.০৪ ৰন্ধন প্ৰণালী আৰু লোক খাদ্য

## ❖ ১.০১ সোনোৱাল কছাৰী সকলৰ লোকশিল্প আৰু লোক-কলা-

নিত্য প্ৰয়োজনীয় হস্ত নিৰ্মিত শিল্প বস্তুৰ নাম লোক শিল্প বা বস্তু শিল্প। সেইদৰে যি শিল্পত আনন্দ বিধানৰ সমল নিহিত থাকে তাক লোককলা বোলে। ফুল নোহোৱা গামোচাখন লোকশিল্পৰ পৰিচায়ক ফুলাম গামোচাখন সৌন্দৰ্যবৰ্ধনৰ বাবে বা আনন্দ বিধানৰ বাবে গতিকে সেয়া লোক-কলা। জাপি লোকশিল্প সেইদৰে ফুলাম জাপি লোক ক'লা তেনেদৰেই বিচনী লোক শিল্প আৰু ফুলাম বিচনী লোক-কলা। লোক শিল্প বা হস্তশিল্প বাঁহ, কাঠ, বেত, পাচি দৈয়া, মাটি, ধাতু আদিৰ দ্বাৰা নিৰ্মাণ কৰা হয়। ইয়াৰ উপৰিও বয়ন শিল্প গছৰ পাত, টকৌপাত, নাৰিকলৰ পাত, তালৰ পাত আদিৰ দ্বাৰাও হস্তশিল্প নিৰ্মাণ কৰা হয়।

সোনোৱাল কছাৰীসকলে নিজৰ প্ৰয়োজনখিনি নিজ কৰ্মৰ দ্বাৰাই সৃষ্ট আহিলাৰে পূৰণ কৰি লৈছিল। অসমবাসীৰ চিৰন্তৰ পৰিচিত মুগা শিল্প, পাট কাপোৰ, কপাহী কাপোৰ নিৰ্মাণ কৰাত এওলোক নিপুন কাৰিকৰ আছিল। সেইদৰে বাহঁ, বেতৰ কামো তেঁওলোকে কৰিছিল।

২) খেতিৰ সঁজুলি (হস্ত নিৰ্মিত লোক শিল্প)-

ক) **নাঙল- নাঙল** হৈছে ভাৰতৰ আদিম কৃষি যন্ত্ৰ। ই সাধাৰণত কৃষি কাৰ্যত ব্যৱহাৰ হোৱা এক ধৰণৰ যন্ত্ৰ। বীজ অথবা পুলি ৰোপণৰ বাবে মাটি তৈয়াৰি কৰিবলৈ নাঙল ব্যৱহাৰ কৰা হয়। কৃষি কাৰ্যত ব্যৱহৃত ই অন্যতম পুৰাতন যন্ত্ৰ। ইয়াৰ প্ৰধান কাম হৈছে মাটি চহ কৰা আৰু মাটিৰ চপৰা ভাঙি দিয়া যাতে মাটিৰ তলৰ তৰপৰ পুষ্টি গুণবোৰ ওপৰলৈ উঠি আহিব পাৰে আৰু সেইদৰে মাটিৰ ওপৰৰ জাবৰ আৰু শস্যৰ অৱশিষ্টাংশবোৰ তললৈ গৈ জৈৱ সাৰলৈ পৰিণত হ'ব পাৰে। ইয়াৰ ফলত মাটিত বায়ু চলাচলৰ পৰিমাণ বাঢ়ে আৰু মাটিৰ আৰ্দ্ৰতা ধৰি ৰখাত সহায় হয়। সাধাৰণতে বলধ, ষাঁড়, ম'হ অথবা ঘোঁৰাৰ দ্বাৰা নাঙলেৰে হাল বোৱা হয়।

নাঙল প্ৰধানকৈ কাঠেৰে তৈয়াৰ কৰা হয়। গাঁৱৰ কাঠ মিস্ত্ৰীয়ে নাঙল তৈয়াৰ কৰে। নাঙলৰ যি অংশই মাটি কৰ্ষণ কৰে তাক ফাল বোলা হয়। আৰু যি গধুৰ কাঠৰ দণ্ড দুটা বলধৰ কান্ধত স্থাপন কৰা হয় তাক কোৱা হয় যুঁৱলি। নাঙল কাঠেৰে আৰু যুঁৱলি কাঠ বা বাঁহেৰে তৈয়াৰ কৰা হয়। নাঙল আৰু যুঁৱলিক সংযোগ কৰে ৫-৬ ফুট দীঘল এডাল গুড়ি থকা জাতি বাঁহেৰে আৰু এই বাঁহ ডালক ইহ বুলি কোৱা হয়। নাঙল-যুঁৱলি পথাৰত খেতিয়কে মাটি চহাবলৈ ব্যৱহাৰ কৰে।

খ) **যুঁৱলি** - ফাল খনৰ কিছু ওপৰত এটা ফুটা কৰি তাত বাঁহৰ গুডি সহিতে ৭ ফুটমান দৈৰ্ঘ্যৰ এটা বাঁহৰ 'ইহ' লগোৱা হয়। ইহৰ আগফালে কেইটামান খাজ কাটি ৰখা হয়, সেই খাজত যুঁৱলিখন ৰছীৰে বান্ধিব পাৰি। এই ৰছী ডালক 'আউচ' বুলি কোৱা হয়। প্ৰায় ৬ ফুটমান দৈৰ্ঘ্যৰ এটুকুৰা ভলুকা বাঁহ দুই মুৰে গাঠিৰে সৈতে কাটি যুৱলি সজা হয়, যুঁৱলিৰ দুয়োটা মূৰত গৰুৰ ডিঙি সোমাব পৰাকৈ জোখেৰে দুটা ফুটা (ইপাৰ সিপাৰকৈ কৰা খোলনি) কৰি সেই ফুটাৰে দুটা বাঁহৰ খুটি সুমুৱাই দিয়া হয় যাতে গৰুৰ ডিঙিটো ইফালে-সিফালে লৰচৰ নকৰে। সেই খুটি দুটাক শলমাৰি বোলা হয়। যুঁৱলিৰ সোঁ-মাজতে আৰু দুটা সৰু ফুটা কৰি সৰু সৰু দুটা বাঁহৰ সলা লগাই দিয়া হয়, সেই দুটাক নিগনি খুটি বুলি কোৱা হয়। তাৰ তলেদি নাঙলৰ ইহটো দি ৰছীৰে বান্ধি দিয়া হয়।

গ) মৈ : প্ৰায় আঠ/ন দীঘল এডাল ভলুকা বাঁহ দুফাল কৰি দুই মূৰত এটাকৈ বাঁহৰ শলা মাৰি মাজ ভাগত দুচটা বাঁহৰ বহল পাত লগাঁই লৈ নিৰ্মাণ কৰা হয়।

ঘ) মৈ-টকা – বৰশী আকৃতিৰ এটা ভলুকা বাঁহৰ আগ উভটাকৈ লয়। মৈ টানিবৰ বাবে ব্যৱহাৰ কৰা হয়।

ঙ) **জবকা** – প্ৰায় আঠ/ন ফুট দীঘল এডাল ভলুকা বাঁহ দুফাল কৰি দুই মূৰত এটাকৈ বাঁহৰ শলা মাৰি মাজ ভাগত দুচটা বাঁহৰ বহল পাত লগাই লৈ নিৰ্মাণ কৰা হয়।

চ) **জাপি** - বাঁহ আৰু তাল গছৰ পাত বা টকৌ গছৰ পাত ব্যৱহাৰ কৰি জাপি তৈয়াৰ কৰা হয়। এই জাপি ৰদ-বৰষুণৰ পৰা ৰক্ষা পাবলৈ ব্যৱহাৰ কৰা হয়, জাপি বিহুত আৰু সন্মানসূচক সম্বৰ্ধনা জনাবলৈও ব্যৱহাৰ কৰা হয়। জাপিৰ আকাৰ বিভিন্ন ধৰণৰ আছে- বৰ জাপি, সৰু জাপি। খেতি-পথাৰত ব্যৱহাৰ কৰা জাপিৰ আকাৰ ১ মিটাৰতকৈ কম বহল ঘূৰণীয়া (বৃত্তাকাৰ)। মাজ অংশটোত হালোৱাজনৰ মূৰত খাপ-খাই পৰাকৈ এটা জোঙা কৰা অংশ থাকে। প্ৰথমতে ঘূৰণীয়া আকৃতিৰ (চালনি আকৃতি) মাজত সৰু সৰু ফাক থকা দুখন ছাল(জালি) বৈ তৈয়াৰ কৰি লোৱা হয়, এই চালনি আকৃতিৰ ছাল দুখন বওঁতে একেবাৰে কেন্দ্ৰবিন্দুৰ পৰা আৰম্ভ কৰি ৮ ইঞ্চিমান বৈ হোৱাৰ পাছত এটা অলপ ডাঠ ঘূৰণীয়া শলিৰে বান্ধি ওপৰৰ অংশ জোঙা কৰা হয। এনেকৈ দুয়োখন ছাল বৈ হোৱাৰ পাছত টকৌ পাত বা তাল পাত ঘূৰণীয়াকৈ কাটি দুইখন ছালৰ মাজত পাৰি দিয়া হয় আৰু ঠায়ে ঠায়ে গাঠি দিয়া হয়।

ছ) **এচাৰি** – ভলুকা বাঁহৰ চেকণই এডাল ২/৩ ফুট দীঘলকৈ কাটি আনি তাৰ আবিবোৰ কাটি এচাৰি বনোৱা হয়।

**মাছধৰা সঁজুলি –**

ক) পল / জুলুকী – জাতি বাঁহৰ প্ৰায় দুই পাব লৈ তাক চেপেটা আকৃতিৰ এ কাঠি তোলাই দুই তিনিটা বাঁহৰ মেৰৰ ওপৰত লৈ কোনীয়াকৈ বেতেৰএ গাঁঠি পল নিৰ্মাণ

কৰা হয়। সাধাৰণতে ডাঙৰ মাছ ধৰিবৰ বাবে পল ব্যৱহাৰ কৰা হয়। জাতি বাঁহৰ প্ৰায় দুফুট দীঘল পাব মিহিকৈ কাঠি তুলি লৈ দুটা, এটা সভউ আৰু আনটো ডাঙভ মেৰৰ ওপৰত লৈ বেতেভে গাঁঠি জুলুকী নিৰ্মাণ কৰা হয়।  জুলুকীৰ আকৃতি পলৰ দভে যদিও পলৰ আকাৰ ডাঙৰ।

**খ) জাকৈ** – বাঁহৰ মিহি কাঠিৰে তিনিখন চালনী বনাই জাকৈ আকৃতিৰ বাঁহৰ ফ্ৰেমত বান্ধি জাকৈ নিৰ্মাণ কভা হয়। এডাল বাঁহ তিনি কোনীয়াকৈ ভাঙি জাকৈৰ নাল নিৰ্মাণ কৰা হয়। জাকৈ সাধাৰণতে মহিলাসকলে বেছিকৈ ব্যৱহাৰ কভা দেখা যায়।

**গ) খালৈ** – বাঁহৰ মিহি কাঠিৰে মাটিত টেকেলী আকৃতিৰ বেতেৰে গুঠি খালৈ নিৰ্মাণ কৰা হয়।

**ঘ) চেপা** – চেপা জাতি বাহৰ দুই / তিনি ফুট দীঘল চেপেটা কাঠিৰে মাজয় দুটা বাহৰ মেৰ দি খোলৰ আকৃতিৰে মাজত দুটা কৰুল দি বেতেৰে গুঠি চেপা নিৰ্মাণ কৰা হয়। সাধাৰণতে বোৱতী পানী আৰু স্থিৰ পানী উভয়তে চেপা ব্যৱহা কৰা হয়। চেপা এনেদৰে মাছ ধৰিবৰ বাবে স্থাপন কৰা হয় যাতে চেপাৰ মাজেদি পাণই চলাচল হ'ব পাৰে আৰু কুৰুল দুটা মাটিতকৈ কিছু ওপৰত থাকে। কুৰুল দুটাইদি মাছ আদি সোমালে ওলাই আহিব নোৱাৰি চেপাৰ মাজত আবদ্ধ হৈ পৰে।

**ঙ) খোকা** – বোৱতি পানীত মাছ ধৰিবৰ বাবে খোকা ব্যৱহাৰ কৰা হয়। খোকা সাধাৰণতে পাঁচৰ পৰা আঠফুট দীঘল জাতি বাহ এড লৰ পৰআ নিৰ্মাণ কৰআ হয়। ইয়আৰ নিৰ্মাণ প্ৰণালী সৰল। বাহডালৰ শেষৰ ফালৰ দুই-তিনিটা গাঁঠি গোটাকৈ ৰাখি আগফালটো মিহিকৈ কাঠি তুলাই লোৱা হয়। পাছ বেত  বা লতৰে গুঠা হয়। গুঠোতে সন্মুখভাগটো বহলকৈ নিৰ্মাণ কৰা হয়।  সাধাৰণতে খোকাৰ আকাৰ আৰু আকৃতি ভিন ভিন্ন হোৱআ দেখা যায়। পাহাৰৰ পানী যোৱা খাল, জান, জুৰি কিছু ক্ষেত্ৰত নদীটো খোকা ব্যৱহাৰ কৰা দেখা যায়। খোকাৰ মুখৰ ফালে ফলা থাকিলে তাক গালখোৱা বুলিও কোৱা হয়।

## ❖ ১.০২ সোনোৱাল কছাৰী সকলৰ লোক স্থাপত্য বিদ্যা –

দৈনন্দিন ব্যৱহাৰ কৰা সা-সমগ্ৰী –

হস্তশিল্প আৰু লোক- শিল্পত সোনোৱাল কছাৰীসকলৰ গ্ৰাম্য জীৱনৰ সুকুমাৰ কলা কৃৰ্তিৰ নিদৰ্শন দেখা পোৱা যায়। লোক শিল্পৰ প্ৰাচীন নিদৰ্শন হ'ল মৃ-শিল্প বা কুমাৰৰ শিল্প। সোনোৱাল কছাৰী সকলৰ মৃ শিল্পৰ চানেকী পাবলৈ নাই। ইয়াৰ বিপৰিতে বাহ, বেতৰ আৰু কাঠৰ দ্বাৰা সৃষ্ট হস্তশিল্পৰ ক্ষেত্ৰত হস্তশিল্পৰ বিভিন্ন সা-সামগ্ৰী দেখিবলৈ পোৱা যায়। গৃহ নিৰ্মাণৰ ক্ষেত্ৰত সোনোৱাল কছাৰীসকলে ঘৰৰ খুটা, চতি, মাৰলী, বেৰ, চাল আটাইবোৰৰ গঠণত বাহ-বেতে আগভাগ লয়। শাল, হৰম, সোনাৰু, নাহৰ, কঁঠাল, জামু আদি বিভিন্ন কাঠৰ খুটা, চটই ফুল কাটি সৌন্দৰ্য বৰ্ধনৰ চেষ্টা কৰা হয়।

সেইদৰে কাঠৰ ঘৰুৱা সা-সজুলিৰ ভিতৰত ফুলজালি কটা পীৰা, বৰপীয়, চাল-পীৰা, বস্তু থবৰ বাবে নিৰ্মাণ কৰা পেৰা, বৰপেৰা কাঠৰ পৰা নিৰ্মাণ কৰা হয়। এইবোৰৰ গাত চৰাই চিৰিকটি আদি চিত্ৰ কাটি সৌন্দৰ্য বৰ্ধনৰ চেষ্টা কৰা হয়। ধান খুন্দিবৰ বাবে ব্যৱহৃত ঢেকী আৰু ঢেকীথোৰা, গাৰিশালী কাঠৰ পৰা নিৰ্মাণ কৰা হয়। গাখীৰ খিৰোৱা, কড়িয়া, শৰাই, গছা আদিটো নানা চিত্ৰ অকা হয়।

ঘৰখনৰ প্ৰয়োজনৰ বাবে বাহ-বেতৰ পৰা বিভিন্ন সামগ্ৰী নিৰ্মাণ কৰা হয়। ধানৰ সৈতে সম্বন্ধ থকা এনে সা-সামগ্ৰী অধিক। সেইবোৰ হৈছে সৰু বৰ, ঘন-খেৰেঙা, নানা ধৰণৰ চালনি, ধান থোৱা ডুলি, পাচি, ধান জোখা ডোন। ধান জাৰিবৰ বাবে ডলা, কূলা, ধান ৰ'দত দিবৰ বাবে বাহৰ ঢাৰি আদি। এইবোৰৰ উপৰিও বাহ বেতৰ সহায়ত নিৰ্মাণ কৰা শোৱাচাং, পানীচাং, ঘৰৰ চাৰি সীমাত দিয়া জেউৰা, জপনা, বাহৰ দলং, চকোৱা (বেৰ), তাঁত শালত ব্যৱহৃত সজুলি সমূহ উঘা, চেৰকী, লেচাই, ব-চুঙা, খুটি, কান্ধ-মাৰি, শলি, ৰাচ-চিৰি, মহৰা, ফুলতোলা কাঠিত বাহেই একমাত্ৰ আহিলা।

সোনোৱাল কছাৰী মহিলা সকলে চুলি ফনিওৱা আৰু চুলিত গুজি লোৱা নানা আৰ্হিৰ কাকৈ, ফনি বাহ-বেতেৰে নিৰ্মাণ কৰা গৰমত বা ল'বৰ বাবে বাহৰ কাঠিৰে নিৰ্মাণ কৰা বিচনী, বিভিন্ন আৰ্হিৰ লতা পখিলা আদি হেঙুল হাই তালৰ ৰঙেৰে

ৰহন চৰাই লয়। বাহৰ শলিৰ মেৰে দি বেতেৰে সজা জপা, বেতৰ বতা, শৰাই, মুঢ়া সোনোৱাল কছাৰীসকলৰ হস্তশিল্পৰ অপূৰ্ব নিদৰ্শন।

বয়নশিল্প –

বোৱা-কটাত সোনোৱাল শিপিনিয়ে অপূৰ্ব কুশলতা প্ৰদৰ্শন কৰি আহিছে। অসমীয়া নাৰীৰ অতিকৈ প্ৰিয় তাতশাল খন ব্যৱহাৰ কৰি পাট-মুগা আদিত ভিন্ন ধৰণৰ মুগা কাপোৰ বৈ উলিওৱা সোনোৱাল কছাৰী নাৰীসকল পাছ পৰি থকা নাই। বিবিধ বৰণৰ আছুৰে জাতিষ্কাৰ কৰি বা সোনোৱালী গুনাৰে বন কভি পাট মুগা কাপোৰ বৈ উলিওৱাত সোনোৱাল শিপিনীসকল পাকৈত। নিজস্ব কল্পনাৰে নিৰক্ষৰ সোনোৱাল জীয়াৰী-বোৱাৰীয়ে এশ-ডেৰশ, তিনিশ কাঠিৰ ফুল গামোচা, চাদৰ বা মেখেলাত বাচে। ৰঙীন সূতা আৰু গুনাৰে মিনা কৰি ময়ূৰ, উৰনীয়া মইনা আদি বিবিধ চৰাই অতি সুন্দৰকৈ ফুলৰত তোলে। কলগছ, নাৰিকল গছ, বেলপতীয়া লতা, গোলাপ লতা, ঢকীয়া লতা, আঙুৰ লতা, আঠপহীয়া, ছপহীয়া, চাৰিপহীয়া ফুল, জোন, তৰা, পখিলা, আদি অতি দক্ষতৰা তাঁতশালৰ কাপোৰখনত জিলিকাই তোলে। নিতৌ ব্যৱহাৰ হোৱা চাদৰ, মেখেলা ৰিহা, চোলা, চুৰিয়া এই সকলোৰবোৰ সোনোৱাল নাৰীসকলে তাঁতশালত বৈ উলিয়ায়।

সোনোৱাল কছাৰী সকলৰ এড়ি কাপোৰ শিল্প –

অসমীয়া সমাজৰ বাপতি সাহোন স্বৰূপ এড়ি কাপোৰ নিৰ্মাণ কৰা পদ্ধতিত সোনোৱাল সকলৰ নিজস্ব স্বকীয়তা তথা কৌশল পৰিলক্ষিত হয়।

এড়ি পলু পোঁহা আৰু কাপোৰ বোৱা পদ্ধতি –

এড়ি পলুৰ অবিহনে এড়ি কাপোৰ ৰব নোৱাৰি । এড়ি পলু পুঁহিবৰ বাবে এড়ি পলুৰ বাহ সংগ্ৰহ কৰা হয়। এই বাহবোৰ অৰা (এক আৰত চাৰি পলুৰ বাহ) হিচাপত গণনা কৰা হয়। বাচি বাচি পাঁচ বা ছয় অঁৰা পলু বাহ সংগ্ৰহ কৰি সেই বাহবোৰ সূতাত মালা গাঁঠি বেৰত আৰি থোৱা হয়। প্ৰায় ৭-১০ দিনৰ পিছত বাহবোৰৰ ভিতৰত থকা লেটাৰ পৰা পখিলাভ জন্ম হৈ বাহ ফুটি ওলায়। পখিলাবোৰ ওলোৱাভ পাছত আলফুলকৈ ধৰি এটি উঘাত বান্ধি দিয়া হয়। এই পখিলাবোৰক চকৰা চকৰী (মতা আৰু মাইকী পখিলা) বুলিও কোৱা হয়। সাধাৰণতে চকৰীবোৰকহে বন্ধি থোৱা হয়। চকৰীজনীয়ে তেতিয়া উঘাভ মাৰিত

কণী পাৰে। কণীবোৰ তাৰ পৰা আঁতৰাই আনি ফটাকানিত বান্ধি থয়। এসপ্তাহ মানৰ পাছত কনীবোৰৰ পৰা পলুৰ জন্ম হয়। সৰু সৰু পলুবোৰ ফটাকানিখনৰে সৈতে এখন চালনি বা জালত মেলি দি এৰাগছ নতুবা কেচেৰু গছৰ কুঁহিপাত খাবলৈ দিয়া হয়। ডাঙৰ হৈ অহাৰ লগে লগে ক্ৰমে ক্ৰমে বুঢ়া পা খাবলৈ দিয়া হয়। এইখিনিত সূতাকটাজনৰ দক্ষতাৰ প্ৰয়োজন হয়। মিহিকৈ কটাৰ পাছত সূতা খিনিক মিলাটোৰ দৰে চাপৰি কৰা হয়। চাপৰিটো টানকৈ চেপি কাপোৰত মেৰিয়াই ৰ'দত দিয়া হয়। এনেকৈ চাপৰিবোৰ গোটেই প্ৰায় তিনিপোৱা-এসেৰ মান কৰা হয়। তাৰ পাছত চাপৰিবোৰ উলিয়াই যঁতৰত টাকুৰী ভৰাই সূতাবোৰ পাক দি টাকুৰিত মেৰিওৱা হয়। টাকুৰিত পাক দি পকোৱা পাছত সেইবোৰ লেটাইত (সূতা পকোৱা চেৰেকি) পকোৱা হয়। এনেকৈ প্ৰায় এসেৰমান সূতা হ'লে এখন এড়ি কাপোৰ বব পাৰি। লেটাইৰ পৰা সূতাবোৰ নেচা নেচা কৰা হয়। প্ৰয়োজনীয় সূতা খিনি যোগান হোৱাৰ পাছত তাত ভাতৰ মাৰ দিয়া হয়। মাৰ দিয়াৰ পাছত ৰ'দত শুকুৱাই চেৰেকিত সুমোৱাই উঘাত পকোৱাৰ পাছত তাঁত লগাঁৰ বাবে এড়ি সূতাখিনি সাজু হৈ পৰে। এবাৰত ৮ বা ৯ হতীয়া তিনি-চাৰিখনমান কাপোৰ বব পাৰি। এড়ি কাপোৰৰ ওফন্দি মহুৰা খহি পৰে। যিহেতু দীঘ দিয়া সূতাবোৰ শুকাই মৰমৰীয়া হৈ থাকিলে ৰাঁচ নসৰকে। সেয়ে সূতাবোৰ পিছল কৰি ৰাঁচখন চলিবৰ বাবে আগতেই প্ৰস্তুত কৰি থোৱা তাহোন (এবিধ পিছল দ্ৰব্য), সোনোৱাল কছাৰী সকলে ৰবাব টেঙা (লগাই প্ৰস্তুত কৰে) দিয়া হয়। এনেকৈ তাহন সানি সানি অনা তাঁতত মাকো মাৰি বোৱাৰ দৰে এড়ি কাপোৰ বব পাৰি । এই ক্ষেত্ৰত শিপিনী কাজি হোৱাৰ ওপৰতো নিৰ্ভয় কৰে। এনেকৈ এড়ি কাপোৰ নিৰ্মাণ কৰি সোনোৱাল কছাৰী সকলে অতীজৰ ঐতিহ্য ৰক্ষা কৰি এড়ি কাপোৰৰ মৰ্যাদ্যা স্লান নোহোৱাকৈ ধৰি ৰাখিবলৈ সক্ষম হৈছে।

**তাহোন প্ৰস্তুতকৰন প্ৰনালী –**

সোনোৱাল কছাৰীসকলে সাধাৰণতে বৰটেঙা বা ৰবাব টেঙা মাটিৰ কলহত পাণই থৈ দি তাঁত গেলিবলৈ দি তাহোন প্ৰস্তুত কৰে। এড়ি কাপোৰ ববৰ বাবে প্ৰায় এমাহ মান আগৰ পৰাই তাহোন প্ৰস্তুত কৰি থোৱা দেখা যায়। ধানখেৰৰ

কুচিৰে এই তাহানবোৰ এটা পাত্ৰত উলিয়াই লৈ এড়ি সূতাবোৰত ঘঁহি সূতাবোৰ পিচল কৰি লোৱা হয়। এইখিনিতে উল্লেখযোগ্য যে, এড়ি পলুৱে পাত খোৱাৰ লগত সূতাবোৰ টান বা কোমল হোৱাৰ কথা আছে।

এইখিনিতে উল্লেখযোগ্য যে, এড়ি পলুৱে পাত খোৱাৰ লগতে সূতাবোৰ টান বা কোমল হোৱাৰ কথা আছে। পলুবোৰে যদি সৰুৰ পৰা শেষলৈকে মাথোঁ কেচেৰু পাত দিয়া হয় তেনে পলুৰ সূতাবোৰ টান হয়। এড়া পাট খোৱা পলুৰ সূতা কোমল হয়। সেয়ে এই দুইবিধ পাত মিহলি কৰি পলুবোৰক খাবলৈ দিয়া হয়। উল্লেখযোগ্য যে সোনোৱাল  সকলে এড়ি পলু পুহিম বুলি এৰা গছৰ খেতি নকৰে বা কেচেভু গছৰ বুলিও নোৰুৱে। হাবিয়ে বননিয়ে বা বাৰীৰ গহৰা গজা (নিজে হোৱা গছ) গছবোৰৰ পৰাই এই পাতবোৰ সংগ্ৰহ কৰে। আনহাতে অন্য মানুহৰ বাৰীত যদি এইবোৰ গছ থাকে আৰু যদি সেই সময়ত ঘৰৰ গিৰিহতে পলু নোপোহে তেন্তে পাতবোৰ দি পলু পোহাজনক সহায় কৰে। তাৰ বিনিময়ত একো নলয়।

## সোনোৱাল সকলে মুগা শিল্প আৰু মুগা পলু পোহা পদ্ধতি –

সোনোৱাল কছাৰীসকলৰ মুগা পোহা নিজস্ব বৈশিষ্ট্য আছে। মুগা পুঁহিবৰ বাবে চোম গছভ প্ৰয়োজন। সেয়েহে মুহা পোঁহা সকলৰ কমেও এখন চোমনি থাকে। চোম গছ স্বাভাৱিকভাৱে হয় আৰু পুলি ৰুই চোমনি কৰে। মুগা পলুৱে চোম গছৰ পাত খোৱাৰ উপৰিও 'হেঙাল' নামৰ এবিধ গছৰ পাতো খায়। এইবিধ গছ য'তে-ত'তে গহৰা গজে। মুগা পুহিবলৈ পূৰ্ব পৰিকল্পনা লাগে কাৰন ঘৰত আলৈ- আহুকাল থাকিলে মুগা পোহাটো টান। সেয়েহে অকলশৰীয়া মানুহে মুগা পুঁহিলেও একোজন মানুহ ৰাখিব লগা হয়।

মুগা বছৰৰ প্ৰায়বোৰ মাহতেই পোঁহা হয় যদিও বাৰিষাৰ মাহত খেতি চপোৱাৰ বাবে মুগা পলু নোপোহে। বৰ্তমান সময়ত চাৰি-পাঁচবাৰকৈ মুগা পোহা দেখা যায়। কাৰণ চোমনীৰ সংখ্যা বৰ্তমান কমি অহা দেখা গৈছে। তদুপৰি অধিক পৰিশ্ৰম কৰিব লগা হোৱা বাবে আৰু চোমনি কাটি অন্য খেতি কৰাৰ বাবেও মুগা

চোমনিৰ সংখ্যা কমি গৈছে। সেয়ে যি দুই এখন চোমনি আছে তাঁত এবাৰ মুগা পোহাৰ পাছত গছৰ পাত নধৰালৈকে মুগা পুঁহিব নোৱাৰি।

মুগা পুঁহিবৰ বাবে প্ৰথমতে সঁচ বা কঠীয়া (মুগা পুহিবৰ বাবে বাচনি কৰা মুগা) বিচাৰি ল'ব ল'গা হয়। মুগাৰ হিচাপ সদায় সংখ্যাৰে গণনা কৰা হয়। পাঁচশ বা হেজাৰ হিচাপত মুগাৰ সঁচ বা কঠিয়া লোৱা হয়। কেতিয়াবা কঠিয়া বিচৰি অন্য গাঁৱলৈকো যাব লগা হয়। সেয়েহে বেছি সংখ্যক লোকে খেতি-বাতি সামৰি মুগা পোঁহে। জেঠ, আহাৰ, ভাদ, কাতি, পুহ আৰু মাঘ মাহত বিশেষকৈ মুগা পোঁহা মুগাক ভদীয়া, কাতিৰ মুগাক কতিয়া, পুহ আৰু মাঘত পোঁহা মুগাক জাৰুৱা বোলে।

মুগাৰ কঠীয়া ঝালি হিচাপে অনা হয়।  এটা ঝালিত এহেজাৰ মুগা বাহ থাকে। এই কঠীয়া আনিবলৈ হ'লে পোহোতাৰ লগত আগতিয়াকৈ বন্দবস্ত কৰি থব লাগে। কঠীয়া অনাৰ পাছত ঝা ঝালিটো ভাঙি বাহবোৰ উলিয়াই লোৱা হয়। বাহবোৰ বাহেৰে সজা এটা পেৰাত ভৰাই থোৱা হয়।  পেৰাটো দীঘে – ছয়ফুট আৰু বহলে তিনি-চাৰিফুটৰ হ'ব লাগে। সপ্তাহ-দহ দিনৰ পাছত বাহবোৰৰ পৰা মুগা পখীলা জগে (জন্ম হোৱা) । মুগাৰ পখিলাৰ মাইকী জনীক চকৰী আৰু মতাটোক চকৰা বোলে। তাৰ পৰা চকৰীবোৰ আনি খৰিকাত (মুগাৰ চকৰিবো বান্ধি থ'বৰ বাবে ঘৰৰ চাল চোৱা খেৰেৰে হাঁকুটি আকাৰত তৈয়াৰ কৰা হয় ) বন্ধা হয়। চকৰাবোৰ বন্ধা নহয়। খৰিকাবোৰ ঘৰৰ চাল চোৱা খেৰৰ হাকুটিৰ দৰে আকৃতি কৰি বন্ধা হয়। খৰিকাৰ সংখ্যা আঠ-নশ হয়। খৰিকাত চকৰিবোৰ বন্ধা হ'লে ইডাল চতিৰ পৰা সিডাল চতিত বন্ধা বেতৰ এডাল লেজু (ৰচিত) বন্ধা খৰিকাবোৰ ওলমাই থয়। চকৰীবোৰে কনী পৰাৰ পাছত বাহেৰে সজা এট ঘুৰনীয়া 'কুৰুল'ত খৰিকাবোৰ আৰি দিয়া হয়। কুৰুলটোৰ ভিতৰফালে ৰচী টনা হয় আৰু সেই ৰচী বোৰ**ত** খৰিকা সমূহ অৰা হয়। খৰিকাবোৰত চকৰীবোৰে কণী পাৰে। কণীবোৰৰ পৰা পাঁচ-ছয়দিনৰ মূৰত মুগা পলু জগে। খৰিকাত পলুবোৰ বগাব পৰা হ'লে খৰিকাবোৰ নি চোম গছত আৰি দিয়া হয়। গছত খৰিকাবোৰ আৰিবৰ বাবে গা-গছডালৰ চাৰিওফালে বাঁহৰ  খিলি (বাঁহেৰে তৈয়াৰ কৰা গজাল) মাৰি লোৱা হয়। এনেকৈ দিনে চলিছ পঞ্চাশ ডালকৈ খৰিকা নি গছত আৰি দিয়া হয়।

কণীবোৰ পৰা একে সময়ত  পলু নগজে। এইখিনিতে উল্লেখযোগ্য য কণী পাৰি শেষ হোৱাৰ পাছত সোনোৱাল কছাৰীসকলে সেই পখিলাবোৰ ভাজি খায়। পখিলাবোৰ মুখৰোচক শুৱাদ লগা খাদ্য হিচাপে সোনোৱাল কছাৰী সকলে গণ্য কৰে। এই ক্ষেত্ৰত চকৰিবোৰ খাবলৈ বেছি শুৱাদ। আনহাতে চকৰা বোৰ নবন্ধা হেতু উৰি গুচি যায়। ধৰি বৰ পাৰিলে চকৰাবোৰ খাব পাৰি।

খৰিকাবোৰ গছত আৰি দিয়াৰ পাছত কনমাণি মুগাবোৰ গছলৈ উঠি যায়। পলুবোৰ সেই অৱস্থাতে কুঁহিপাত খাবলৈ গছৰ আগ পাইগৈ। কুহিপাত খায় শেষ হ'লে লাহে লাহে পলুবোৰ তললৈ নামি আহে। গছজোপাৰ গুৰিত সৰু সৰু মুগাবোৰ তললৈ নামি আহিব নোৱাৰাকৈ কলম পাত (এবি বিশেষ গছভ পাত) নামভ এবিধ পাতেৰে একোটাকৈ মেৰ দিয়া হয়। কলম পাতবোৰ যথেষ্ট ডাঙৰ আৰু  দীঘল হোৱআভ কাৰণে এখন পাতেৰে এজোপা গছৰ গুৰিত সুন্দৰকৈ মেৰিয়াব পাৰি। সৰুতে মুগাবোৰে গৰম সহ্য কৰিব নোৱাৰে । কলমপাত ঠাণ্ডা কৰি ৰাখিব পৰা এবিধ পাত। তাতে ই বহু দিনলৈ নাজায়। মুগাবোৰ ডাঙৰ হ'লে কলম পাতৰ সলনি এনেধৰণে গছজোপাৰ গুৰিত তৰা গছৰে মেৰিয়াই এটা গুইলা (মুগা পুহা চুম গছ জোপাৰ তলৰ অংশ পলুবোৰ মাটিলৈ নামই যাব নোৱাৰাকৈ গছজোপাত দিয়া মেৰ) বান্ধি দিয়া হয়। যাতে পলুবোৰ একেবাৰে তললৈ নামি আহে। আগতে খৰিকা অৰা খিলিবোৰত বাঁহৰ তঙালেৰে সজা ত্ৰিভুজাকৃতিৰ সজা হেয়ালী আৰি দিয়া হয়। পলুবোৰৰ নিজে নিজে সেই ঠাইত হেদালীত উঠে। সেই হেদালীবোৰ তেতিয়া তাৰ পৰা নি অন্য গছৰ আৰি থয়। হেদালীবোৰ পৰা পলুবোৰ নিজে নিজে গছৰ ওপৰত উঠে আৰু পাত খাইগৈ। গছৰ পাত হ'লে পুনৰ তলৈ নামি আহে। পুনৰ হেদালীত উঠাৰ পাছত অন্য গছলৈ স্থানান্তৰ কৰা হয়। এনেকৈ ইজোপা গছৰ পৰা সিজোপা গছলৈ পলুবোৰ স্থানান্তৰ কৰা হয়। লাহে লহে পলুবোৰ পুৰঠ হৈ আহে। আৰু মুগা পোহাৰ দিন অনুসৰি ৩০-৪০ দিনৰ পৰা ৭০-৭৫ দিনৰ পাছৰ মুগাবোৰ পকীবলৈ ধৰে। পকা আগত গুইলাৰ কাষলৈ আহি মুৰটো থিয় কৰি ৰৈ থাকে। পুৱা সময়ৰ পৰা সন্ধ্যা সময়লৈকে তেনেকৈ থাকে আৰু সেই সময়ত মুগাবোৰ শৌচ প্ৰসাৱ কৰি শেষ কৰে। তাৰ পাছৰ পৰাই মুগাবোৰ পকীবলৈ ধৰি যেনি-তেনি যাবলৈ ধৰে। সন্ধ্যা সময়ৰ পৰা নিশালৈকে মুগা

পকে। গিৰিহতৰ খাওঁন-শোৱন নোহোৱা হয়। ৰাতি-ৰাতি পকা মুগা ধৰাটো বৰ কষ্টকৰ কাম। পকা পলুবোৰ তললৈ নামি আহি গুইলাৰ চাৰিওফালে থুপ খায় বৈ থাকেহি। সেই পকা মুগাবোৰ ধৰি পকা ধৰা সজাত ভৰোৱা হয়। সেই সজাটো বাহৰ কামিৰ ওপৰত বাতেৰে বৈ সাজি লোৱা এক বিশেষ আকৃতিৰ সজা। গোতেই নিশাটো হাতত এডাল জোৰ লৈ গছে গছে পকা মুগা ধৰিব লাগে। সেয়ে অকলশৰীয়া লোকৰ বাবে মুগা পোঁহাটো সহজ কাম নহয় বুলি কোৱা হৈছে। তাৰোপৰি যিদিনাৰ পৰা গছত মুগা দিয়া হয় সেই দিনৰে পৰা ঘৰৰ পৰা আতৰি চুমনিত থাকিব লগা হয়। যিহেতু সোনোৱাল কছাৰী সকলৰ চোমনি মুকলি ঠাইত নাথাকে। চোমনিৰ লগত অন্য গছৰ হাবি-বননিও থাকে সেয়ে তাঁত ৰাতি ৰাতি পৰ দি মুগা ৰখীয়া হোৱাটো সহজ নহয়। নিশা উজাগৰে থাকি হাতত ধনু আৰু বাটলু গুটি (লিকটীয়া ৰঙা মাটিৰে তৈয়াৰ কৰা সৰু সৰু মাটিৰ গুটি। চৰাই আদি মাৰিবভ বাবে বা খেদিবৰ বাবে ধনু বা কেটেপা ব্যৱহাৰ কৰা হয়।) মোনালৈ এহাতে ধৰি জোৰ ধৰি মুগা ৰখীয়া হোৱাটো কষ্টকৰ। নিশা বান্দুলিয়ে মুগা খাবলৈ আহে। সেইবোৰ লগে লগে নেদেখিলে খন্তেকতে পোন্ধৰৰ পৰা বিশটা মুগা খাই পেলায়। আনকি দিনৰ ভাগটো কাউৰী বা অন্য চৰাইয়ে মুগা খাবলৈ আহে। সেয়ে দিনত হাতত ধনু বাটলু গুটি লৈ চোমনিৰ চাৰিওফালে ঘুৰা-ফুৰা কৰিবলগীয়া হয়। আনহাতেদি সোনোৱা। আনহাতেদি সোনোৱাল কছাৰীসকলৰ সমাজত ভূত-প্ৰেতত বিশ্বাস কৰে। নিশা চোমনিত অকলে থকাটো নিৰাপদ নহয় বুলি সোনোৱাল কছাৰীসকলৰ জনবিশ্বাস আছে। সেয়ে কেইবাঘৰো ওচৰা-ওচৰিকৈ থকা চোমনিত একে সময়তে মুগা পোঁহে। নিশা যাতে ইজনে-সিজনক চিঞৰি চিঞৰি মাত বোল কৰি থাকিব পাৰে। চোমনিত একোটাকৈ টঙীঘৰ সাজি লোৱা হয়। এই ঘৰত বেৰ দিয়া নহয়। মুগা ৰখীয়া সকলে গোটেই দিনে-নিশাই ঘৰৰ পৰা লৈ যোৱা চাউল ৰান্ধি-বাঢ়ি খায়। ৰ'দ শেষ হ'লে দিনৰ ভাগত এজনে খন্তেকৰ বাবে ঘৰলৈ আহি পুনৰ সেইবোৰ লৈ যায়হি।

পকা মুগাবোৰ ধৰি ঘৰলৈ অনা হয়। ঘৰৰ মজিয়াত ঝালিটোৰ জোখাৰে বালি মাটিৰে ভেটা দিয়া হয়। তাক বালি ভেটা বুলি কোৱা হয়। এই ভেটাটো ভৰি গাঁঠিটোৰ সমান ওখকৈ দিইয়া হয়। ঘূৰণীয়া এই ভেটাত পকা মুগাবোৰ আনি

সজাৰ পৰা উলিয়ই গণনা কৰা হয়। মুগাবোৰ থোৱাৰ পাছত ওপৰত শিঙৰীডাল পাৰত ঝালিটো ৰচিৰে আঁৰি মুগাবোৰ উঠিব পৰাকৈ ৰখা হয়। বালি ভেটা পৰা হৈ পলুবোৰ বাহিৰলৈ ওলাই যাব নোৱাৰে আৰু এঘন্টামান পাছত সকলোবোৰ মুগা ঝালিটোত ভঙা হয়। ৰ'দৰ দিলে বাহবোৰ মৰ মৰ শব্দ কৰি থাকে। তাৰ পাছত দুই-তিনি দিন ধোঁৱা চাঙত তুলি থোৱা হয়। ইয়াৰ পৰা বাহবোৰ সিজাবলৈ সহজ হয় আৰু সূতাৰ ৰং ভাল হয়। ধুঁৱা চাঙৰ পৰা তুলি আনি কেৰাহিত কলখাৰ নতুবা ধানখেৰ পৰা প্ৰস্তুত কৰা খাৰ দি বাহবোৰ সিজোৱা হয়। বাহবোৰ সিজাওঁতে সাৱধান ন'হলে বাহবওঁৰ সিসিজে। বাহবওঁৰ নিসিজীলে সূতা কটা টান হৈ পৰে।

## মুগা সূতা সিজোৱা আৰু কটাৰ প্ৰণালী

মুগাশিল্পৰ প্ৰায় সকলোবোৰ দিশৰ কাম-কাজ পুৰণা নিয়মতে চলাই থকা হৈছে । বৈজ্ঞানিক ভিত্তিত কিছু কাম কৰা হৈছে যদিও সীমিত । ইয়াত প্ৰধানকৈ মুগা খোলা সিজোৱা আৰু সূতা কটাৰ বিষয়ে আলোচনা কৰা হ'ব ।

মুগা খোলা খাৰ পানীত সিজাই তাৰ পৰা আঁহ উলিয়াই পাক দি সূতা প্ৰস্তুত কৰা হয় । এই খোলা সিজাওঁতে বিশেষ সাৱধানতা অৱলম্বন নকৰিলে সূতাৰ গুণ সমূহ অটুত নাথাকে । খাৰ বেছি হ'লে বা কম হ'লে, পানী হিচাবতকৈ কম বা বেচি হ'লে, সিজোৱা সময় বঢ়া-টুতা হ'লে, সূতা কাটোতে আৰম্ভণিৰ পৰা শেষলৈকে সমান সমান খোলা ব্যৱহাৰ নকৰিলে, সমান জোখত পাক নিদিলে ইত্যাদি বিশেষ কিছুমান কাৰণত সূতাৰ গুণ নষ্ট হয় আৰু কেতিয়াবা সূতা পেলনিও যাব পাৰে ।
উপযুক্ত মাধ্যমত, নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত সূতা কাটিলে সূতাৰ জোৰ তথা স্থিতিস্থাপকতা, উজ্জ্বল সোণালী ৰঙ, আৱশ্যক পৰিমাণৰ মিহি আদি গুণ সমূহ ভালে থাকে । বজাৰত উজ্জ্বল সোণোৱালী ৰঙৰ চাহিদা বেচি । বতাহ চলাচল কৰা, ধোঁৱা বিহীন পৰিবেশ সূতা সিজোৱা আৰু কটা সকলৰ বাবে বৰ আৱশ্যক । ধোঁৱাৰে পৰিপূৰ্ণ আৰু লেতেৰা পৰিবেশত কাম কৰাটো স্বাস্থ্যৰ পক্ষে বৰ ক্ষতিকাৰক ।

তলত এটি উপযুক্ত মুগা খোলা সিজোৱা পদ্ধতি দিয়া হ'ল ।
(১) মুগা খোলা = ৪০০ (এবাৰত লব লাগে)
(২) খাৰ = চ'ডা ১৬ গ্ৰাম নাইবা কলখাৰ ১০০ গ্ৰাম নাইবা ধানখেৰ ৭০০ গ্ৰাম ।
(৩) পুখুৰীৰ পানী = ৮ লিটাৰ ।
(৪) এবিধ পিচলকাৰী ৰাসায়নিক পদাৰ্থ = ৮ মি.লি. (প্ৰায় চাহ চামুচেৰে দুচামোচ) 'টিপল' ।
(৫) ষ্টেইনলেচ ষ্টীলৰ ঢাকোন থকা চচপেন = ২০ লিটাৰ পানী ধৰা ।
(৬) উষ্ণতা জোখা যন্ত্ৰ = থাৰ্মমিটাৰ এডাল ।
(৭) কাঠৰ চামোচ = এখন ।
(৮) 'ভাউৰী' বা মুগা সূতা কটা যিকোনো মেচিন = এটা ।
উপৰোক্ত বস্তুখিনি মুগা সূতা কাটিবৰ বাবে প্ৰয়োজন হয় । খোলা সিজাওঁতে ল'ব লগা সাৱধানতা তলত উল্লেখ কৰা হ'ল –
(১) খোলা সিজাবৰ বাবে সমানকৈ তাপ পাব পৰা ধোঁৱা নোলোৱা চৌকা ব্যৱহাৰ কৰিব লাগে ।
(২) এবাৰত ৪০০ খোলা সিজালে যি পৰিমাণৰ অন্য বস্তু লাগিব সেইয়া ওপৰত উল্লেখ কৰা হ'ল ।
(৩) তিনিবিধ খাৰৰ ভিতৰত এবাৰত যিকোনো এবিধ খাৰ ব্যৱহাৰ কৰিব লাগে । খোলা সমূহৰ ওজন খুব বেচি হ'লে বা পুৰণা খোলা হ'লে খাৰৰ পৰিমাণ সামাণ্য বেচি ল'ব লগা হ'ব পাৰে ।
(৪) 'দমকল' বা 'টেপৰ' পানী পৰাপক্ষত ব্যৱহাৰ কৰিব নালাগে । তেনে পানীত দ্ৰৱীভূত হৈ থকা খনিজাত লৱণে সূতাৰ গুণ আৰু ৰঙ দুয়োটাই নষ্ট কৰে ।
(৫) খাৰ পানীৰ লগত 'টিপল' নামৰ ৰাসায়নিক পদাৰ্থবিধ ব্যৱহাৰ কৰিলে সূতাৰ পৰা আঠা সহজে এৰাই যোৱাত সহায় কৰে; তাৰোপৰি সূতা কাটোতে পিচল গুণ দিয়ে । জবা ফুলৰ পাত, ডেমডেৰুকা, ঔটেঙা বীজ আদি ব্যৱহাৰ কৰিলেও সূতাৰ পিচল গুণ আহে । টিপলে সূতাৰ পৰা যিহেতু সহজে আঠা এৰাই অহাত সহায় কৰে গতিকে সিজোৱা সময় কম লাগে ।

(৬) খোলা সিজাওঁতে খাৰ পানীৰ উষ্ণতা ১০০০ চেন্টিগ্ৰেডৰ ওপৰত গ’লে খোলা সমূহ ফাটি যায় । সেইবাবে উষ্ণতা ১০০০ চেন্টিগ্ৰেডৰ তলত ৰাখিবলৈ যত্ন কৰা ভাল ।

(৭) খোলা সিজাওঁতে ষ্টেইনলেচ ষ্টীলৰ চচপেন ব্যৱহাৰ কৰা ভাল । ইয়াৰ লগত ৰাসায়নিক বস্তুৰ বিক্ৰিয়া নঘটে ।

**খোলা সিজোৱা আৰু কটা**

(১) খোলা সিজোৱা আগদিনাই ৰাতি উপযুক্ত পৰিমাণৰ খাৰপানীত টিপল সহ খোলাখিনি চচপেনটোত তিয়াই থ’ব । এনে কৰিলে কম সময়ত খোলা খিনি সিজিব। কলখাৰ বা ধানখেৰ ব্যৱহাৰ কৰিব লগা হ’লে কাপোৰত বান্ধি উপযুক্ত পৰিমাণৰ পানীত তিয়াই থ’লে খাৰপানী প্ৰস্তুত হয় । চ’ডা ব্যৱহাৰ কৰিলে পানীত ভালদৰে গুলি ল’ব লাগে ।

(২) পিচদিনা পুৱা চচপেনটোৰ তলত ২০-৩০ মিনিট জুই দিব লাগে । চচপেনৰ ঢাকোনখন প্ৰথমতে দি থ’ব লাগে । খাৰপানীত উতল অহাৰ পাচত ৫/৬ মিনিটৰ মূৰে মূৰে কাঠৰ হেঁতাৰে খোলাখিনি লৰাই তল ওপৰ কৰি দিব লাগে যাতে সকলো খোলা একেসময়তে ভালদৰে সিজে ।

(৩) খোলা সিজাৰ পাচত জুইৰ পৰা চচপেনটো নমাই খাৰপানী সহ খোলাখিনি বহল মুখৰ চৰিয়াত ল’ব লাগে । খোলা ভালদৰে সিজিলে তাৰ ওপৰৰ পাতল আৱৰণখন গুচাই দিলে সূতাৰ আঁত পোৱা যায় । এতিয়া চৰিয়াটোত পুনৰ ১ লিটাৰ মান কুহুমীয়া পানী আগৰ খাৰপানীৰ লগত মিলাই দিলে সূতা কাটোতে খোলাখিনি সেই পানীত উপঙি থাকিব । এনে কৰিলে সূতা সহজে খোলাৰ পৰা ওলাই পৰে । ৮/৯ টা খোলাৰ আঁহ একেলগে গোটাই হাতৰ ঠাঁৰিত পাক দি ‘ভাউৰী’ বা অন্য মেচিনৰ সহায়ত সূতা কাটিব লাগে । মন কৰিব লাগে যাতে ৮/৯ টা খোলাৰ আঁহ অনবৰত সূতাত আহি থাকে । এটা খোলা শেষ হ’লে বা ছিগিলে তৎক্ষণাত আন এটা খোলাৰ আঁহ লগ লগাই দিব লাগে । এনেকৰিলে সমান জোখৰ সূতা পোৱা যায় ।

(৪) উল্লিখিত পদ্ধতিটোত উজ্জ্বল সোনোৱালী ৰঙৰ, সকলো গুণ অটুত হৈ থকা মিহি মুগা সূতা পাব পাৰি। এই বিজ্ঞান সন্মত পদ্ধতিটোত খৰচ যথেষ্ট কম হয় আৰু পেলনি নোযোৱাকৈ বহু সূতা পাব পাৰি।

**এড়ি আৰু মুগা পলুক লৈ জনবিশ্বাস –**

এড়ি, মুগা পলুক সোনোৱাল কছাৰীসকলে দেওলগা জীৱ বুলি বিশ্বাস কৰে। এই দুয়োবিধ পলু পুঁহিলে নিতান্তই সাৱধানতা অৱলম্বন কৰাটো দৰকাৰ। 'মুখলগা' (কু-দৃষ্টি) বিশ্বাস সোনোৱালসকলৰ মাজত অতীতৰ পৰা প্ৰচলন আছে। সেয়ে একে পলুবোৰ ঠিক থইক হ'বলৈ ভাগ্যয়েও লগ দিব লাগে। ঘৰত জন্ম-মৃত্যু, বাধা-বিঘিনী থাকিলে এই দুয়োবিধ পলু বছি স্পৰ্শকাতৰ বুলি সোনোৱালসকলৰ মাজত জনবিশ্বাস আছে। এই পলুবোৰ ঘৰত পুঁহি থকা সময়ত যদি ঘৰখনত কোনো ব্যক্তিৰ মৃত্যু ঘটে তেন্তে এড়ি পলুবোৰ পেলাই দিয়া হয়। মুগা পুঁহিলে চোমনিৰ সৈতে আনক দিয়েগৈ। পাছত গিৰিহঁতক এটা অংশ দিলেও দিয়ে, নিদিলেও গিৰিহঁতে লৈ খোজে। এই পলুৰ ক্ষেত্ৰত  এই বাধা নিষেধ অলপ বেছি।

মৃতক ব্যক্তিয়ে ব্যৱহাৰ কৰা সকলো বস্তুৰেই মৰিশালিত নি জ্বলাই পেলোৱা হয় বা পুতি পেলোৱা হয়, যদিও মৃত ব্যক্তিজনে ব্যৱহাৰ কৰা এড়ি চাদৰখন লগত লৈ যোৱা নহয়। সেইখন ঘৰৰ মানুহেও ব্যৱহাৰ নকৰে। অন্য ব্যক্তি দান হিচাপে দি দিয়ে। আনকি সোনোৱাল কছাৰী পৰিয়ালৰ কোনো ছোৱালী বিয়া দিয়াৰ সময়তো সকলো বস্তু দিলেও এড়ি কাপোৰখন দি নপঠায়। আনহাতে মুগা পলু পুহিবলৈ যাওঁতে বহু ধৰণৰ নীতি-নিয়ম মানি চলিব ল'গা হয়। চোমনিত প্ৰথম খৰিকা অৰাঁৰ দিনা ভোগ দি পূজা আগবঢ়োৱা প্ৰথা সোনোৱাল কছাৰীসকলৰ প্ৰচল আছে। তাৰ পাছতো চোমনিত আৰু এবাৰ ভোগ দিয়া হয়। কিছুমান চোমনিত সবাহ পৰ্যন্ত পাতে। সেয়ে সোনোৱাল কছাৰীসকলে এই দুয়োবিধ জীৱক দেওলগা জীৱ বুলি বিশ্বাস কৰে। কাৰণ বহু সময়ত দেখা যায় যে জেঠমহীয়া শুকান বতৰতো বতাহ ধুমুহা আহি চোমনি ভাঙি চুৰমাৰ কৰি থৈ যায়। এয়া সোনোৱাল সকলৰ জনবিশ্বাস।

## কপাহ শিল্প –

ভাৰতবৰ্ষ স্বাধীন হোৱাৰ কেইবাবছৰৰ পাছতো সোনোৱাল কছাভীসকলে কপাহ খেতি কৰি কপাহী সূতা তৈয়াৰ কৰি লৈছিল। বৰ্তমান কপাহী সূতা কটা শিল্প সমগ্ৰ ভৰততে লুপ্ত পাইছে। বৃটিছৰ আগমণৰ লগে লগে কাৰষানাত তৈয়াৰী কপাহী সূতা তথা কাপোৰ সহজতে পোৱাত মানুহে লাহে লাহে কপাহৰ পৰা হাতেৰে সূতা কাটিবলৈ এৰিলে। সোনোৱাল সকলে সেই সময়তো কপাহ খেতি কৰি কপাহী সূতা কাটি কাপোৰ বৈ লৈছিল। কপাহৰ গুটি গুচাই সেইবোৰ ধুনি সূতা কৰিছিল।

কপাহ গছবোৰ সাধাৰণতে এবিধ সৰু জোপোহা গছ। চ'ত- বহাগত কপাহৰ খেতি কৰা হয়। কপাহৰ ফুলবোৰৰ পৰা গুটি ধৰে। গুটিবোৰ পূৰঠ হ'লে নিজে নিজে ফাটি পৰা আৰু ভিতৰত থকা কপাহ বাহিৰলৈ ওলাই পৰে। কপাহত থকা সৰু সৰু গুটিবোৰ গুচাই লোৱা হয়। সেই কপাহবোৰ পাছত যঁতৰত পকাই সূতাবোৰ টকুৰীত পকোৱাৰ পাছত তাঁত বৈ কপাহী কাপোৰ তৈয়াৰ কৰি লৈছিল। বৰ্তমান এই শিল্প সোনোৱাল সকলৰ নোহোৱা হৈ পৰিল।

## নুনি পাট শিল্প –

পাট কাপোৰ শিল্প সোনোৱাল সকলৰ **মাজত** বহলভাৱে প্ৰচলন নাছিল যদিও সোনোৱাল সকলৰ বসতি প্ৰধান প্ৰায় সকলোবোভ অঞ্চলতেই এই শিল্পই প্ৰসাৰতা লাভ কৰিছিল।

অসমৰ পাট বুলিলে সাধাৰণতে নুনি পলুৰ পৰা হোৱা পাটকে বুজায়। গছৰ আঁহৰ পৰা তৈয়াৰী পাট সূতা বা কাপোৰ প্ৰচলন অসমত নাছিল । এই কথা উল্লেখ কৰা প্ৰয়োজন যে কামৰূপত পাট কাপোৰ বেচিবলৈ মঙ্গোলীয় গোষ্ঠীৰ লোক অতীজৰ চীন আৰু নেপাল পাৰ হৈ কামৰূপলৈ আহিছিল। ইয়াৰ পৰা এইটো অনুমান কৰিব পাৰি যে অতীজৰ কামৰূপত পাট কাপোৰৰ ব্যৱহাৰ নাছিল। যিখিনি হৈছিল সেইখিনি মাত্ৰ নুনি পলুৰ পৰা উৎপাদন কৰা নুনি পাটৰ কাপোৰহে আছিল।

পলু পুঁহিবলৈ নুনি গছৰ প্ৰয়োজন । নুনি গছৰ পাত খোৱাই নুনি পলু পোঁহা হয়। দুই-তিনিদিনতে নুনি পলুবোৰ পূৰঠ হৈ পৰে। নুনি পলু পকিলে গাৰ বগা

ৰংটো পাতল হৈ পৰে আৰু মূৰটো দাঙি ঠৰঙা দি থাকে । পলুবোৰ পকাৰ পিছত লাহে লাহে পালুবোৰে বাহ বান্ধে। বাহ বন্ধাভ লগে লগে সূতা কাটিব লাগে। নুনি পলুৰ সূতা কাটিবৰ বাবে মুগাসূতা কটাভ দৰে বাহনী বা শাল ব্যৱহাৰ কৰা হয়।

অতীজৰ সোনোৱাল কছাৰীসকলে এই পলুৰ সূতা কাটি তাৰ পৰা পাটৰ কাপোৰ বৈ লৈছিল আৰু অন্য লোককো বিক্ৰী কৰি পৰিয়াল পু-পালন কৰিছিল।

**তেল পেৰা শিল্প –**

তেল পেৰাটো সোনোৱাল কছাৰী সকলৰ সমাজত অতীজৰ পৰা চলি অহা এটি উল্লেখযোগ্য শিল্প। বৰ্তমান এই শিল্পটো প্ৰায় লুপ্ত হৈছে যদিও সোনোৱাল কছাৰীসকলে এই শিল্পটো জীয়াই ৰাখিবলৈ চেষ্টা কৰিছে।

## গ) লোক-আভৰন –

**সোনোৱাল কছাৰীসকলৰ সাজপাৰ –**

গাঁৱত থকা সোণোৱাল কছাৰীসকলে নানা বৰণীয়া আটক ধুনীয়া সাজপাৰ পৰিধান কৰে। সম্ভ্ৰান্ত পুৰষসকলে সাধাৰণতে ধুতী আৰু কামিজ পিন্ধি মূৰত পাগুৰী আৰু কান্ধত চেলেং চাদৰ লয়। সাধাৰণ চহালোকে আঁঠুৰ মূৰলৈকে চুৰীয়া পিন্ধি গাত হাচতি লয়। সোণোৱাল কছাৰীসকলৰ বয়ন শিল্প এক পৰম্পৰাগত ৰীতি-নীতি। ঘৰতে সাজি লোৱা তাঁতৰ শালত সোণোৱাল কছাৰীসকলৰ তিৰোতাসকল কাপোৰ বোৱাত বৰ পাকৈত। ছোৱালী বিয়া দিওঁতে ছোৱালীক তাঁতৰ শাল এযোৰ যৌতুকত দিয়াতো প্ৰায় বাধ্যতামূলক। সোণোৱাল কছাৰী শিপিনীসকলে ঘৰতে বৈ লোৱা এড়ীচাঁদৰ, বৰকাপোৰ আদি গৰম কাপোৰ আৰু ৰংচঙীয়া ফুল বচা মুগা আৰু পাটৰ চাঁদৰ, মেঠনি, মেখেলা, ৰিহা, কপাহি মেখেলা, কপাহী চাঁদৰ, চুৰীয়া, ধুতী, হাচুটি, গামুচা, তিয়নি, একাঠীয়া, চেলেং কাপোৰ আদি সোণোৱাল কছাৰী শিপিনীসকলৰ শিল্পীসূলভ প্ৰতীক। সোণোৱাল কছাৰী মহিলাসকলে মূৰ ঢাকিবলৈ সদায় টকয়া ব্যৱহাৰ কৰে। গাম খাৰু বা হাঁচৰমৰা খাৰু, কেৰু, জাংফাই কেৰু,

ঠুৰিয়া, বিৰী, জোনবিৰি, কংকন, ডুগডুগি, লাটুমনি, মাদুলি আদি পৰম্পৰাগত আ-অলঙ্কাৰ সোণোৱাল কছাৰী মহিলাসকলে ব্যৱহাৰ কৰাত ৰুচি দেখুৱায়।

সোণোৱাল কছাৰী পুৰুষসকলৰ জাতিগত প্ৰতীকি হাচুটিখনৰ বিশেষত্ব এইয়ে যে ইয়াৰ ৰং সোণ বৰণীয়া আৰু দুয়োপাৰে সাতডাল, সাতডালকৈ চৌদ্ধডাল সেউজীয়া বৰণৰ আঁচুসূটাৰে পাৰি দিয়া। এই চৌদ্ধডাল পাৰিয়ে সোণোৱাল সকলৰ চৌদ্ধ বংশকে সূচায়। পুৰুষসকলে জাতিগত সাজ হিচাপে গাত গাতুং চোলা আৰু ঘৰতে বোৱা কপাহী চুৰীয়া পিন্ধে।

## তাতশাল আৰু তাত শালৰ সজুলি –

সভ্য সমাজৰ অন্যতম এক অংগ ৰূপে পৰিচিত সাজ-পাৰো নিজ হাতে তৈয়াৰ কৰি, পৰিধান কৰি এক সুকীয়া সভ্য সমাজ ৰূপে বিশ্ববাসীৰ সন্মুখত নিজকে প্ৰকাশ কৰাৰ ক্ষেত্ৰত অসমীয়া সকলে কোনো দিন শ্ৰুতি কৰা নাই। এই সাজ পাৰতেই নিহিত হৈ আছে এটা জাতিৰ শিল্পীমন, সৌন্দৰ্যতা, শালীনতা, স্বাভিমান। অসমীয়া সমাজে পৰিধান কৰা সাজ-পাৰ সমূহ তৈয়াৰ কৰিবৰ কাৰণেই, অতি পুৰণি কালত নিজৰ সৃষ্টিশীল দক্ষতাৰে তেওঁলোকে তৈয়াৰ কৰি লৈছিল, অসমীয়া সমাজৰ বাপতিসাহোন তাঁতশালখন। অসমীয়া শিপিনীয়ে তাঁত শালত সপোন ৰচে বুলি মহামানৱ মহাত্মা গান্ধীয়ে প্ৰশংসা কৰি গৈছে। শীতৰে সঙ্কীয়তাৰ গোন্ধ থকা সাজপাৰ অতি শানত তৈয়াৰ কৰি অসমীয়াৰ স্বাভিমান ৰক্ষা কৰা অসমীয়া শিপিনী সহল। অতি প্ৰাচীন কালৰে পৰা অসমত বস্ত্ৰশিল্পৰ উত্থান হোৱা দেখা পোৱা যায়। বিভিন্ন বনুৱা সামগ্ৰীৰ জৰিয়তে বন্ধু নিৰ্মাণ কৰি তেওঁলোকে সতঁতাৰ পৰিচয় দিছিল। পুৰাতত্ববিদসকলৰ মতে প্ৰাচীন ইজিপ্ত তাঁতশালৰ ব্যৱস্থাৰ হৈছিল। এবিধ তাঁত শাল পাহাৰত বসবাস কৰা মহিলাসকলে ব্যৱহাৰ কৰা দেখা যায়। এইখন শাল কোনো ফুটাৰ ওপৰত প্ৰতিষ্ঠিত নহয়। ইয়াৰ এটা মূৰ কঁকালত মেৰিয়াই বান্ধি লোৱা হয়। তাঁত শাল বুলি ক'লেই চাৰিটা খুটাৰ ওপৰত প্ৰতিষ্ঠিত, সংলগ্ন অনেক বাঁহ বা কাঠৰ সঁজুলিৰে সৈতে এটা ৰূপ আমাৰ চকুত ভাঁহি উঠে।

এখন কাপোৰ ববলৈ হ'লে আটাইতকৈ প্ৰয়োজনীয় সামগ্ৰীবিষ হল সুঁতা। পুৰণি কালত প্ৰায়সকল অসমীয়াই এৰিপলু পহিছিল। এৰি পলুৰ কণী ফুটাৰ পৰা

বাহ সন্ধালৈ প্ৰায় একমাছ সময় লাগিছিল। এৰিপলু পোহাৰ দৰে অতি জটিল কামটো প্ৰায়সকল অসমীয়া মহিলাই সুচাৰুৰূপে পালন কৰিছিল। এৰি পলু পকাৰ পিছত সেটা কাঢ়ি নেওঠি সূতা উলিওৱা হয়। এই সূতাৰ পৰা এৰি কাপোৰ তৈয়াৰ হয়। তাঁতশালত কাপোৰ বোৱাৰ আগত বিভিন্ন প্ৰক্ৰিয়াৰে বোৱাৰ উপযোগী কৰিবলৈ কৰা ব্যৱস্থাটোক তাঁতবাতি কনা বুলি কোৱা হয়। এই প্ৰক্ৰিয়াত কেৱল দীঘৰ সূত সমূহহে সজাই লোৱা হয়।

২) **চেলেং** - **চেলেং চাদৰ** শৰীৰৰ ওপৰ অংশত পৰিধান কৰা এবিধ অসমীয়া পৰম্পৰাগত বস্ত্ৰ। সাধাৰণতে দেহৰ সন্মুখৰ ফালে এটা অংশ ৰাখি লৈ বাঁও কান্ধেৰে পিঠিৰ ফালে চেলেঙৰ আনটো অংশ ওলোমাই লোৱা হয়। অসমীয়া সংস্কৃতিত চেলেং চাদৰক এক সন্মানীয় সাজৰূপে গণ্য কৰা হয়। চেলেঙসমূহ সাধাৰণতে পাট বা কপাহী সূতাৰে তৈয়াৰ কৰা হয়। এখন চেলেং প্ৰায় ২৭৪ চেমি দীঘল আৰু ১৩০ চেমি বহল হয় আৰু ইয়াৰ দুয়োটা মূৰতে ফুল তোলা থাকে। এই ফুলসমূহ তোলোতে সাধাৰণতে সোণালী সূতাৰ ব্যৱহাৰ কৰা হয়।

**সোনোৱাল কছাৰী লোকসকলে বিভিন্ন প্ৰকাৰৰ চেলেং চাদৰৰ ব্যৱহাৰ কৰে।**

- সোণৰ সূতাৰে চাবধৰা চেলেং
- আঁচু দিয়া চেলেং
- গাৰিয়লী চেলেং
- পাৰি দিয়া চেলেং
- গুণাকটা চেলেং
- দৰিয়ালি গুণা কৰা চেলেং
- সোণীয়া চেলেং

উত্তৰীয় বস্ত্ৰ হিচাপে পৰিচিত এইবিধ বস্ত্ৰ পুৰুষ আৰু মহিলা উভয়ে পৰিধান কৰে যদিও ইয়াৰ ব্যৱহাৰ সীমিত। হুঁচৰি বিহুত মুখিয়ালজনে বিহুৱান বা গামোচাৰ লগতে চেলেং চাদৰ পৰিধান কৰে। সত্ৰাধিকাৰ, গোসাঁই আৰু ভকত-বৈষ্ণৱসকলে প্ৰায় বাধ্যতামূলকভাৱে চেলেঙৰ ব্যৱহাৰ কৰে। ভাওনাৰ গায়ন-বায়নসকলেও চেলেং চাদৰৰ ব্যৱহাৰ কৰা দেখা যায়। অসমীয়া বিবাহ অনুষ্ঠানত

ৰভাতলত বৰ-কন্যা উভয়ে চেলেং চাদৰ পৰিধান কৰে। দৰাসাজৰ চেলেং সাধাৰণতে পাটেৰে বোৱা হয়। অন্যান্য মাঙ্গলিক কাম-কাজতো চেলেং লোৱাৰ নিয়ম আছে।

কোনো ব্যক্তিক সন্মান বা সম্বৰ্ধনা জনাবলৈ প্ৰশস্তি পত্ৰ, স্মাৰক আদিৰ লগতে বহু ক্ষেত্ৰত অংগ বস্ত্ৰ হিচাপে চেলেং এখনো দিয়া হয়

**গামোচা**

গামোচা অসমীয়াৰ সমাজ জীৱনৰ অতি আদৰৰ বস্ত্ৰ। সাধাৰণতে গামোচা চাৰিওফালে ৰঙা সূঁতাৰে (সেউজীয়া ৰঙো থাকে) পাৰি দি বোৱা এখন বগা দীঘলীয়া কাপোৰ। কপাহী সূঁতাৰে বিশেষভাৱে গামোচা তৈয়াৰ কৰা হয় যদিও পাট আদি সূঁতাৰেও ইয়াক তৈয়াৰ কৰা হয়। গামোচা অসমীয়াৰ বাহিৰেও বঙালী, বিহাৰী আৰু উৰিয়া মানুহেও ব্যৱহাৰ কৰে, অৱশ্যে অসমীয়া গামোচাৰ লগত তেওঁলোকৰ গামোচাৰ বহুখিনি পাৰ্থক্য আছে আনহাতে অসমীয়া মানুহে গামোচাখনক এক সাংস্কৃতিক তথা সন্মানৰ প্ৰতীক হিচাপে ব্যৱহাৰ কৰে কিন্তু আন ঠাইত ইয়াক অকল নিত্য ব্যৱহাৰ্য্য সামগ্ৰী হিচাপেই ব্যৱহাৰ হোৱা দেখা যায়। নামনি অসমত গামোচাক 'গাম্‌চা', 'মুক্‌চা' বা 'দুহেইটা' আদি নামেৰে জনা যায়।

সোনোৱাল কছাৰী সমাজত বিভিন্ন ক্ষেত্ৰত গামোচাৰ ব্যৱহাৰ হোৱা দেখা যায়। এক কথাত অসমীয়া সমাজ-সংস্কৃতি, আচাৰ-নীতি সকলো ক্ষেত্ৰতে গামোচাৰ বিশেষ অৱদান আছে।

- গামোচাক দৈনিক কাৰ্যত গা-ধোঁৱাৰ পিছত শৰীৰ মোচিবৰ বাবে ব্যৱহাৰ কৰা হয়।
- নামঘৰৰ থাপনাত কোনো শাস্ত্ৰ ঢাকি ৰাখিবৰ বাবে ইয়াক ব্যৱহাৰ কৰা হয়।
- খেতিয়কে ইয়াক কঁকালত বন্ধা টাঙালি বা কঁকালত পিন্ধা কাপোৰ হিচাপে ব্যৱহাৰ কৰে।
- নামঘৰত প্ৰাৰ্থনা কৰাৰ সময়ত ইয়াক ডিঙিত ওলোমাই ৰখা হয়।
- কোনো সভাত বিশিষ্ট ব্যক্তিক সন্মান জনাবৰ বাবে গামোচাৰে সন্মান জনোৱা হয়।

সোনোৱাল কছাৰীসকলৰ সমাজত গামোচাৰ ব্যৱহাৰৰ ওপৰত নিৰ্ভৰ কৰি ইয়াক:-

১) পানী-গামোচা

২) তামোল-গামোচা

৩) বিহুৱান আদি নামেৰে নামকৰণ কৰা হয়।

**চুৰিয়া বা ধুতি** –

ধুতি বা চুৰিয়া হৈছে এক বস্ত্ৰ বিশেষ। ই ভাৰতীয় মূলৰ এক পৰম্পৰাগত কাপোৰ। ভাৰতীয় পুৰুষে দৈনন্দিনৰ বস্ত্ৰ হিচাপে বা পৰম্পৰাগত ভাৱে কোনো বিশেষ অনুষ্ঠান যেনে: বিবাহ ইত্যাদিত ধুতি পৰিধান কৰে। ভাৰতৰ বিভিন্ন স্থানত ইয়াক বিভিন্ন নামেৰে জনা যায়। পুৰুষ সকলে কঁকালৰ পৰা নিম্ন অংশ ঢাকিবলৈ এই ধুতি পৰিধান কৰে। ধুতি সাধাৰণতে এক আয়ত আকৃতিৰ দীঘলীয়া নিচিলোৱা কাপোৰ। এখন ধুতিৰ দৈঘ্য প্ৰায় ৪.৫ মিটাৰ আৰু প্ৰস্থ ১ মিটাৰ। ই এখন এক ৰঙী উকা কাপোৰ। কাষৰী থকা ধুতিবোৰ বিশেষ অনুষ্ঠানত পৰিধান কৰা হয় ।

বিভিন্ন অসমীয়া ধুতি বা চুৰিয়া[

- মুগাৰ বৰ চুৰিয়া,
- পাটৰ চুৰিয়া,
- কপাহী চুৰিয়া,
- চিকণ পাটৰ চুৰিয়া,
- ধল পাটৰ চুৰিয়া,
- পাট মুগা মিহলি চুৰিয়া,
- মেজাংকৰি তিতাকৰীয়া চুৰিয়া আদি।

**হাঁচতি** - হাঁচতি বা হাঁচটি এখন ক্ষুদ্ৰ বস্ত্ৰ। হাঁচতি অসমীয়া গীতিসাহিত্যৰ সমল আৰু লোক-সংস্কৃতিৰ অংগ স্বৰূপ। আগৰ দিনত তামোল-পাণ বান্ধি নিবলৈ হাঁচতি ব্যৱহাৰ কৰা হৈছিল। সোণোৱাল জনগোষ্ঠীৰ লোকে পছন্দ হোৱা ছোৱালী খোজা-বঢ়া কৰিবলৈ দৰাৰ মাক-বাপেক আৰু গাঁৱৰ বয়সীয়াল লোক এজনে ডেৰফুট দৈৰ্ঘ আৰু একফুট বহল হাঁচতি(পৰখুটং)ত তামোল-পাণ, ৰূপৰ টেমী, ডাব কটাৰী আৰু

চূণ আদি বান্ধি নিব লাগে। এই হাঁচতিখন ৰঙা ৰঙৰ আৰু পদুম ফুল বছা হ'ব লাগে। সোণোৱাৰ সমাজত পৰখুটঙৰ টোপোলা নহ'লে কন্যা খুজিবলৈ যোৱাত বাধা আছে। অসমীয়া সমাজত বোৱা-কটাত পাকৈত অসমীয়া শিপিনীয়ে তাঁতত নানা-বৰণীয়া হাঁচতি বৈ নিজৰ লগতে প্ৰিয়জনকো উপহাৰ দিছিল। হাঁচতিৰ নতুন নাম ৰুমাল। ৰুমাল মানে মুখ মচা সৰু কাপোৰ। সেয়ে, অনেকে হাঁচতি শব্দৰ সৈতে হাঁচি মৰা কাৰ্যক সঙুৰি 'হাঁচি মাৰোঁতে নাক-মুখত সোপা দিয়া কাপোৰ' বুলি ক'ব খোজে।

**খনীয়া কাপোৰ –**

অসমীয়া সমাজত খনীয়া কাপোৰৰ গুৰুত্ব মৰ্যদাসম্পন্ন আছিল। এই বস্তুখনি দীঘলে বাৰ হাত আৰু বহুলে তিনিহাত হয়। চেলেঙৰ বিপৰীতে খনীয়া কাপোৰৰ দুয়োটা মূৰত ফুলেৰে সুশোভিতকৈ বৈ পৰিধান কৰা হয়। অতীতত খনীয়া কাপোৰ উচ্চ পদবীধাৰী ব্যক্তিসকলে চিন্ধেৰে বৈ লৈছিল। চেলেঙ কাপোৰৰ দৰেই খনীয়া কাপোৰখনীও শৰীৰৰ ওপৰ অংশতেই পৰিধান কৰা হয়। শীতকালত এইবিধ বস্ত্ৰ গাত মেৰাই লোৱা দেখা যায়। খনীয়া কাপোৰ পূৰ্বতে যৌতুকত দিয়া হৈছিল।

**বৰ কাপোৰ –**

অসমীয়া সমাজত শীত কালত বহুল চলিত এবিধ কাপোৰ হ'ল বৰকাপোৰ। ইয়াক পকোৱা বা ঊণ সূতাৰে তৈয়াৰ কৰা হৈছিল। ইয়াক দুজাপকৈ ব্যৱহাৰ কৰা হৈছিল। বৰকাপোৰ বিলাক বহু যত্নেৰে খহটা মোটা সূতাৰে তৈয়াৰ কৰা হৈছিল। ই দীঘলে প্ৰায় ছয় হাত আৰু পালিয়ে তিনিহাত মান আছিল।

অসমীয়া শিপিনীয়ে হাড়কঁপোৱা শীতৰ পৰা ৰক্ষা পাবলৈ তৈয়াৰ কৰা বহু প্ৰকাৰৰ বৰকাপোৰৰ প্ৰচলন আছিল, যেনে আঁচুবুলীয়া, কাঠবুলীয়া, ফুলাম বৰকাপোৰ, কুহুমবুলীয়া বৰকাপোৰ, আদি ফলীয়া, গাৰি দিয়া, গুণা কটা, আগ ফুলাম গাঁৰিয়লী বৰকাপোৰ এৰী বৰকাপোৰ, ডাঙৰী বৰকাপোৰ, নৰা বৰকাপোৰ চৰা বৰকাপোৰ, ছকঠীয়া পীত কাপোৰ, পাৰখুপীয়া বৰকাপোৰ আদি

**চোলা** –

পুৰণি দিনত অসমত বহু প্ৰকাৰৰ চোলাৰ প্ৰচলন আছিল, যেনে-নৰা চোলা, এঙা চোলা, হলৌ চোলা, মিৰ্জাই, ফুটৰৈ, মোগলাই, ঘাগৰা, গোমচেঙ, চাটন,

বুটাদাৰ, জালি চোলা আদি। স্বৰ্গদেউ তথা উচ্চস্তৰীয় বিষয়াসকলে পিন্ধা চোলাক চাপকন বোলা হৈছিল। তেওঁলোকে পৰিধান কৰা এই চাপকনসমূহ, মেজাংকৰি, কিংখাপ আৰু গোমচেঙৰ সূতাৰে তৈয়াৰ কৰি সোণালী সূতাৰে বুটা বাচিছিল। পাদুৰী চাহাব সকলে পৰিধান কৰা দীঘল, চৌগা নামৰ এবিধ চোলা চাপকনৰ ওপৰত পিন্ধাও দেখা গৈছিল, এই চৌগা আছিল আভিজ্যাত্যৰ প্ৰতীক।

**ৰিহা –**

ৰিহা অসমীয়া গোপিনী-বোৱাৰীয়ে পিন্ধা এবিধ পৰম্পৰাগত সাজ। ই এবিধ উত্তৰীয় বস্ত্ৰ। ইয়াক কাঁচলি বুলিও জনা যায়। পুৰণি অসমীয়া সমাজত মহিলাই মেখেলাৰ ওপৰত ৰিহা পিন্ধিছিল। বক্ষস্থল আগুৰিবৰ বাবে চোলাতকৈ ৰিহাৰ ব্যৱহাৰ বেছি আছিল। ৰিহাখনে কঞ্চুলিকা বা স্তনাভৰণৰ লগতে পিঠিভাগো আবৃত কৰি ৰাখিছিল। তাৰ ওপৰত চাদৰ এখন মেৰিয়াই লৈছিল। মাংগলিক কাৰ্য কৰোঁতে বিশেষকৈ সকাম-নিকাম, বিয়া-বাৰুত অসমীয়া মহিলাই ৰিহা পিন্ধাটো অপৰিহাৰ্য। অসমীয়া শিপিনীয়ে তাঁতশালত বোৱা ৰিহা দীঘলে আঠ হাত আৰু পুতলে দেৰ হাত। অসমীয়া বিবাহ অনুষ্ঠানত কইনাই হোমৰ গুৰিত ৰিহা পিন্ধাৰ নিয়ম আছে। ৰিহা এৰী, কপাহী অথবা মুগা সূতাৰে তৈয়াৰ কৰা হয়। ৰিহা পাট, মুগা, এড়ী আৰু কপাহী সূতাৰে তৈয়াৰ কৰা হৈছিল। পাট আৰু মুগাৰে বোৱা ৰিহা সম্ভ্ৰান্ত মহিলাই আৰু কপাহী আৰু এড়ি সূতাৰ ৰিহা সাধাৰণতে সাধাৰণ মহিলাই পৰিধান কৰিছিল। ৰিহা কেইবাবিধৰো আছে। যেনে, দহিঅলীয়া, গঁৰিয়লী, গুণাকটা, কেছ বছা, আঁচু অলীয়া, বৰৈ লগা, আঁচলে-পাৰিয়ে গুণাকটা আদি।

**বিভিন্ন সময়ত ব্যৱহৃত আভাৰন –**

**হায়দাং নাছৰ সাজপাৰ** – হায়দাং গীত গাঁওতাৰ সাজ-পাৰ বগাঁ ৰঙৰ হয়। গাত শুদ্ধ বগাঁ চোলা আৰু ধূতি, মুৰতঁ বগাঁ পাগুৰি, গাত বগা চেলেং মেৰিয়াই লয়।

**হুঁচৰি বিহুৰ সাজপাৰ** – বিহুৰ সাজ পোচাকবোৰ পৰিপূৰ্ণ অসমীয়া কৃষ্টি আৰু আত্মনিৰ্ভৰশীলতাৰ পৰিচায়ক। অসমত থলুৱাভাবে উৎপাদন হোৱা ৰেচম বিশেষকৈ মুগা সূতা এক অপৰিহাৰ্য অংগ। বিহুত নাচনীয়ে মুগাৰ সাজ পৰিধান কৰে আৰু

ঢুলীয়াসকলে বা পুৰুষসকলে কপাহী চুৰীয়া ( ধুতি ) পৰিধান কৰে। পুৰুষৰ দেহৰ উৰ্ধাংশ হাত কটা চোলা বা কামিজ পিন্ধে।

**সোনোৱাল কছাৰী সকলৰ অলংকাৰ –**

সোনোৱাল কছাৰীসকলৰ অলংকাৰ বৈশিষ্ট্যপূৰ্ণ। তেঁওলোকে ব্যৱহাৰৰ কৰা অলংকাৰ সমূহ প্ৰধানকৈ থুৰীয়া, কেৰু, গামখাৰু, চিৰিখাৰু, গলকতা, দুগদুগী, মেদেলী মনি আঠঠিয়েই প্ৰধান। তেঁওলোকৰ অলংকাভ প্ৰধানকৈ সোন আৰু ৰূপেৰে তৈয়াৰী।

**ব্যৱহাৰিক তাৎপৰ্য –**

সাধাৰণতে সাজপাৰ **বা অলংকাৰে** মানুহৰ তিনিধৰনৰ প্ৰয়োজনীয়তঁা পূভণ কৰে। সেয়া হৈছে – ক) ঐতিহ্য বা পৰম্পভা সংৰক্ষণ, খ) ব্যৱহাৰিক উপযোগিতা আৰু গ) সৌন্দৰ্যবৰ্ধন। সোনোৱাল কছাৰীসকলে সাজপাৰ প্ৰস্তুতকৰন আৰু ইয়াৰ পৰিধানৰীতিৰ জৰিয়তে এই উদ্দেশ্য সম্পূৰ্ণৰূপে পূৰণ হোৱা দেখা যায়। তেঁওলোকৰ স্বকীয় সাজপাৰ আৰু অলংকাৰ সমূহ জাতীয় ঐতিহ্য ৰক্ষা কৰাৰ লগতে তেঁওলোকৰ সামাজিক মৰ্যদা আৰু সৃষ্টিশীল, সুন্দৰ মনটোৰ পৰিচয় দাঙি ধৰে।

**১.০৪ লোক খাদ্য আৰু লোকৰন্ধন প্ৰণালী -**

ধানৰ জাত লৈ ইয়াৰ স্বাদৰ তাৰতম্য আছে। জলপানৰ কাৰণে স্বাভাৱিকতে লাহী ধান ব্যৱহৃত হয়। বিশেষকৈ সোণোৱাল সকলে 'জলপান' বুলি ক'লে বৰা ধানৰ নানা তৰহৰ খাদ্য তৈয়াৰ কৰে। আটাইতকৈ জনাজাত হৈছে ভাপত সিঁজোৱা বৰাভাত (মুল জলপান) অদ্বিতীয় জলপান। লগতে কেইটামান ক'লা জহাৰ চাউল দি দিলে কথাই নাই। সকলো ভাৰতীয় আনকি বিদেশৰ লোকৰ বাবেও ই এক দুষ্প্ৰাপ্য জলপান। এই জলপানৰ লগত যদি খাৰ দিয়া মাটিমাহ, ৰচুণপাত(নহৰু), আদা, ধনী আৰু পকা ঔটেঙাৰে ৰন্ধা তৰকাৰী হয়, তেতিয়াতো কৈ থাকোতেই জিভাৰ পানী সৰে। এই বৰা ধানৰ পৰা অন্যান্য বিবিধ জলপান তৈয়াৰ হৈ আছে, হৈ থাকিব।

অন্যান্য লাহী ধান যেনে জাহিঙা, মালভোগ আদি ধানৰ পৰাও বিধে বিধে জলপান প্ৰস্তুত কৰা হয়। জাহিঙাৰ পৰা উসুৱা সান্দহ, ভোগ আদি তৈয়াৰ কৰে আৰু মালভোগৰ পৰা চিৰা, মুৰি, হৰুম আদি জলপান প্ৰস্তুত কৰে। বুঢ়াবুঢ়ী মানুহে ভাত খোৱাতো ব্যৱহাৰ কৰে।

শতকৰা এশ শতাংশই বৃহৎ অসমীয়া জাতিসত্ত্বা'ত মিলি গ'লেও জনজাতিসকল (পাহাৰেই হওক বা ভৈয়ামৰেই হওক) এটা নিজস্ব পোছাকী সত্ত্বা বা গৰিমা আছে আৰু থাকিবই। অসমত বহু ঠাইত পৰম্পৰাগত খাদ্য (লগতে পোছা কৰো) মেলা হৈ আহিছে। এই খাদ্য –মেলাবোৰত জনগোষ্ঠীসমুহে নিজা-নিজা খাদ্য সম্ভাৰ প্ৰস্তুত কৰি প্ৰদৰ্শন কৰে। এই সমুহৰ তৃপ্তি, স্বাদেই সুকীয়া । তদুপৰি চাউলৰ পৰা (বিশেষকৈ বৰা চাউলৰ) তৈয়াৰী মদ বা সাঁজ বা লাওপানী অথবা আপ্ং পানীৰ সোৱাদ নোলোৱা লোক কমহে ওলাব। অৱশ্যে জনগোষ্ঠীভেদে ইয়াৰ প্ৰস্তুত প্ৰণালী সুকীয়া সুকীয়া। আমাৰ সোণোৱালসকলে ছাইমদ প্ৰস্তুত নকৰে।

শাক-পাচলি আৰু উদ্যান শস্যৰ ক্ষেত্ৰতো সোণোৱাল কছাৰীসকল কেৱল স্বাৱলম্বীয়েই নহয় অৰ্থনৈতিকভাবেও উপকৃত হৈ আহিছে। আজি-কালি 'ফাৰ্ম' গঢ়ি উঠিছে যদিও চাহিদাও বাঢ়িছে। স্বাভাৱিকতে ফাৰ্ম সমুহত আধুনিক তথা বৈজ্ঞানিক কায়দা-কৌশল অৱলম্বন কৰাত, লগতে অজ্ঞতা বশত: ৰাসায়নিক সাৰ, কীটনাশক আদি সামঞ্জস্যহীনভাৱে ব্যৱহাৰ কৰাৰ কু-ফলবোৰ সকলো মানুহেই বুজি পাইছে। শাক-পাতৰ ক্ষেত্ৰত হোৱাৰ নিচিনাকৈ পাচলি জাতীয় ক্ষেত্ৰতো অপৰিমিত ৰাসায়নিক পদাৰ্থ প্ৰয়োগ কৰা হৈ আছে। বজাৰৰ শাক-পাচলি বহুতেই খাবলৈ ভয় কৰে। কাৰণ গোহালিবোৰত গৰুৰ সংখ্যা কমি গৈছে। গাঁৱত গোহালি নোহোৱাই হ'ল। পচন সাঁৰ বা কেঁচু সাৰ প্ৰস্তুত কৰা মানুহ নাই (ইয়াৰ কাৰণ হিচাপে বজাৰত যিহেতু ৰাসায়নিক সাৰ আছেই, অনাও সহজ, দিয়াও সহজ, কিমান পৰিমাণৰ দিব লাগিব জনাৰ ইচ্ছা কাৰো নাথাকে)।

পৰিচ্ছন্নভাৱে বাস কৰা সোণোৱাল গাওঁবোৰত বৰ্তমানেও ভাৰসাম্যপুৰ্ণ জীৱন নিৰ্বাহ কৰি থকা মানুহ আছে। দৈনন্দিন জীৱনত প্ৰয়োজন হোৱা সকলো বস্তু ঘৰতেই উৎপাদন কৰি লয়। উজনি অসম আৰু উত্তৰ অসমৰ বহু সোণোৱাল গাঁৱত বাৰমাহৰ গোটেই বছৰটো নিজৰ উৎপাদিত ফচলেৰে স্বাৱলম্বী লোক আছে।

৪০-৫০ দশকৰ তুলনাত গৰিষ্ঠ সংখ্যকৰেই এনে জীৱনচৰ্যা নাই যদিও একেবাৰে নি:শেষ হৈ যোৱা নাই। এয়া অৱশ্যেই অশুভ লক্ষণ।

ক'ব খুজিছোঁ সোণোৱাল গাওঁবোৰত কি আছিল আৰু আজিৰ একৈশ শতিকাত কিবোৰ নোহোৱা হৈ গ'ল। তথাপিও পৰম্পৰাগতভাৱে যিখিনি বাকী আছে আৰু আছিল সেই কথা নক'লে আলোচনাটো আধৰুৱা হ'ব কাৰণেই উল্লেখ কৰাৰ দৰকাৰ অনুভৱ কৰিছোঁ। 'বাৰীত তামোল পাণ'.... কেৱল তামোল পাণেই নহয়- 'আম-কঠাল, লেটেকু , পনিয়ল, কমলা, নেমু, জামুক, বগৰী, আমলখী, জলফাই ,ৰবাব টেঙা, চকলা টেঙা, কুজী থেকেৰাৰ পৰা সকলো খাদ্য ফল আছিল। বাঁহনি, কাঠনি লাগনি আটাইবোৰ গছ-গছনি, বেতনি আদি বাৰীবোৰ লাহে লাহে কমি গ'ল। কঁপাহ গছ সকলোৰে ঘৰত আছিল আৰু আছিল এৰেণা আৰু কেচেৰু গছ। অৱশ্যে নগৰ-মুখী মানসিকতা তথা চাকৰি প্ৰয়াসী মানসিকতাৰ ধাম-খুমিয়াত আজিৰ তাৰিখত নষ্টালজিক হ'ল।

ভীম কল (আঠীয়া কল) বোৰ আমাৰ দিনত বাদুলীয়ে খাইও শেষ কৰিব নোৱাৰিছিল। জাহাজীবোৰ একো একোটা যেন পুৰঠত হাতীৰ দাঁত । দক্ষিণ পাৰৰ সোণোৱাল গাওঁবোৰত এইবোৰ দৃশ্য দুৰ্লভ হ'ল। অৱশ্যে উত্তৰ পাৰত বাধ্যতামুলকভাবেই ভীম কল আছেগৈ-কাৰণ বানপানীতো হ'বই, কাজেই ভীমকলৰ ভঁৰবোৰেই প্ৰাথমিক ৰক্ষা কবচ।

আগৰ দিনত কিছুমান শাক-পাচলি মানুহে কাচিতহে পাকঘৰলৈ নিছিল। যেনে- ঢেকীয়া, তিতামৰা, লেকেচী, হেলচা জাতীয়বোৰ। আনহাতে জাতিলাউ, অমিতা আদিবোৰ বজাৰ দেখিয়েই পোৱা নাছিল, কাৰণ লওঁতা নাই, বজাৰতে পেলাই থৈ আহিব লগা অৱস্থা আছিল।

স্বাদ বা ৰুচি অনুসৰি সোণোৱালসকলে ব্যৱহাৰ কৰা তালিকাখন অত্যন্ত দীঘলীয়া। টেঙা, তিতা খাৰ, পোৰা, পিটিকা, পাতত দিয়া, ভাপত দিয়া, উসোৱা , কেঁচাই খোৱা, তেলত ভজা আদি। বাৰীৰ শাক-পাচলিৰ উপৰিও হাবি-বননিৰ পৰা তুলি অনা বিবিধ সামগ্ৰী সোণোৱালসকলে খাদ্য তালিকাত ৰাখে। সেইবোৰ হৈছে নাফু(কাঠফুলা), মানিমুনী , মচন্দৰী, জিলমিল, কলমৌ, খুতুৰা, কুকুৰা ঠেঙীয়া, মাটিকাদুঁৰি, টেঙেচী, তিতাকুচি, বনজলকীয়া, লাচকুচি, ভেকুৰী নল টেঙা,

ভেদাইলতা, হেলচী, নৰসিংহ, মিপাতী, ডিমৰু পোখা, ঔ টেঙা, থেকেৰা কুঁহি , বাঁহ গাজ, বেত গাজ, শুকলতি , তৰা গাজ, বন আলু, পলভোগ বন, মধুসোলেং, লৰ বৰুৱা ইত্যাদি ইত্যাদি।

আনহাতেদি ঘৰৰ বাৰীত থকা শাক-পাচলিবোৰ আছেই। এইবোৰৰো তালিকা চমু নহয় যদিও কেইবিধমানৰ নাম লোৱা আৱশ্যক- মাটিমাহ, ৰহৰ মাহ, মগুমাহ, দাংবডি, উৰহী, লাউ, জিকা, ভোল, ভেন্দি, কোমোৰা, বিলাহী, তিয়ঁহ, বেঙেনা, পানী কোমোৰা, ফুল আলু, লাই, লফা, পালেং, চুকা, ধনীয়া, মুলা, বাবৰি, কবি জাত জাত, ভাত কেৰেলা, তিতাকেৰেলা, মৰিচা, গাজৰ, স্কোৱাছ, পটল , ধুণ্ডলী, তুৰৈ, পুৰৈশাক, চজিনা, অমিতা, কলডিল, পছলা, কচু, আলু, কাঠ আলু ইত্যাদি।

ব্যঞ্জনখন সু-স্বাদু কৰিবৰ কাৰণে আজি আৰু কাকো শিকাব নালাগে, সকলো ৰান্ধনীয়েই জানে কি তৰকাৰীত কি মা মছলা- দিব লাগে। আমাৰ জনজাতিসকলে কিছুমান পাহাৰীয়া মছলা-বন ঘৰতে ৰুই লোৱা বহু ঠাইত আমি প্ৰত্যক্ষ কৰিছোঁ। সেইবোৰ যি যি জনজাতিৰ পৰা আনে সেই নামেৰে নাম দি লয়-ধৰক গালং, খামতি, আদি মিচিমি মছলা ইত্যাদি।

সোণোৱালসকল জেনেটিক অৰ্থাৎ ৰক্ত-জনিত ভাবেই শাক্তপন্থী জাতি। গতিকে সোণোৱালসকলৰ শতকৰা এশ শতাংশই আমিষভোজী। ৰোগজনিত কাৰনত হয়তো দুই-এক নিৰামিষহাৰী লোক থকাটোও সত্য।

সোণোৱাল কছাৰীসকলৰ কৃষি-পদ্ধতি আৰু খাদ্য-অভ্যাস সম্পৰ্কত, বিশেষকৈ খাদ্য-অভ্যাসৰ ক্ষেত্ৰত কেইবিধমান ‘জীৱ-খাদ্য’ৰ বিষয়েও উল্লেখ কৰিবই লাগিব যেনে- আমৰলিৰ টোপ (কণী), এড়ি-মুগাৰ লেটা, চাকচন , উইচিৰিঙা, খাতৰ , নিকৰি, খেতেমা, কেকোঁৰা, বৰলৰ টোপ, মৌ-টোপ, ছয়া পোক ইত্যাদিৰ বাহিৰেও হাবিত বা পানীত চৰা পক্ষী জাতীয় (আজি কালি এইবোৰ বধ কৰা দণ্ডনীয় অৱশ্যে) দৰিক, ডাউক, বনকুকুৰা, বগলী, চিলনী, কনামুচৰি, বটা চৰাই, কুটুম, পানী কাউৰী, শৰালি, নানান বিধ পানীহাঁহ ইত্যাদি আগৰ দিনত একপ্ৰকাৰ আমোদদায়ক চিকাৰ আছিল।

মোখনিত এটা কথা উল্লেখ কৰা অতীব দৰকাৰ যে, সোণোৱালসকলে ভালেমান খাদ্য সম্ভাৰক ‘লখিমী’ জ্ঞান কৰি আহিছে। প্ৰধান শস্য ধান, প্ৰধান আমিষ খাদ্য মাছ, প্ৰধান মুখশুদ্ধি পাণ-তামোল, প্ৰধান পুজা সামগ্ৰী তুলসী ইত্যাদি। সেই সুত্ৰে ‘লখিমী সবাহ’ প্ৰতিখন সোণোৱাল গাওঁ (কোনো কোনোৱে ঘৰত) ত প্ৰতিবছৰে অনুষ্ঠিত কৰে। কিছুমান গাঁৱত এই সবাহ অতি জাক-জমকতাৰে তিনিদিনীয়াকৈ পালন আজিও কৰি আহিছে।

সিদ্ধান্ত –

সময় পৰিবৰ্তনশীল। সময়ৰ দূৰত্ব গতিত সকলোতে পৰিবৰ্তন সাধিত হয়। ইয়াৰ লগে লগে মানুহৰ মানসিকতাৰো পৰিবৰ্তন আহে। ফলস্বৰূপে ভাষা সাহিত্য, সংস্কৃতি সকলোতে নতুনত্ব আহি পৰে। এই নতুনত্বই আধুনিকতা। সোনোৱাল কছাৰীসকলৰ ভাষা-সংস্কৃতিকো আধুনিকতাই প্ৰভাৱিত কৰিছে। অসমৰ অন্যান্য জনগোষ্ঠীৰ দৰেই তেঁওলোকেও পৰম্পৰাগতভাৱে সাজপাৰ ব্যৱহাৰৰ বিপৰিতে সৰ্বভাৰতীয় বা পশ্চিমীয়া আৰ্হিৰ সাজপাৰ, স্বকীয় ৰীতি-নীতি ৰক্ষিত নোহোৱাকৈ থকা নাই। তদুপৰি শেহতীয়াকৈ আজি কিছু বছৰৰ আগৰ পৰা অসমৰ জনগোষ্ঠীসমূহৰ মাজত স্বকীয়তা ৰক্ষাৰ প্ৰতি যত্নপৰ হোৱা দেখা যায়, যিটো জনগোষ্ঠীটোৰ বাবে অতি গুৰুত্বপূৰ্ণ কথা। এই প্ৰকল্পটো পৰা আমি সোনোৱাল কছাৰীসকলৰ দৈনন্দিন জীৱনৰ প্ৰয়োজনীয় বস্তু বিষয়ে জানিব পাৰিলো। তেঁওলোকৰ সাজ-পোঁছাক, আ-অলংকাৰ, খাদ্যভাগ আদিৰ বিষয়ে জানিব পাৰিলো।

বৰ্তমান সময়ত দেখা গৈছে যে এই জাতি-জনগোষ্ঠী সমূহভ সাজপাৰ, গৃহনিৰ্মাণ প্ৰণালী, আ-অলংকাৰ, দৈনন্দিন ব্যৱহাৰ্য সামগ্ৰী আচবাব, বাচন-বৰ্তন আদি সকলোতেই পৰিবৰ্তন হ'বলৈ ধৰিছে। এয়া একো-একোটা স্বতঃস্ফুট প্ৰক্ৰিয়া, সময়ৰ লগত খোজ মিলাই পৰিবৰ্তনে সংস্কৃতিলৈ নতুনত্ব অনা দেখা গৈছে।

**সামৰনি** –

সোনোৱাল কছাৰী সকল অসমৰ সৰ্ববৃহৎ জনগোষ্ঠী। সোনোৱাল কছাৰী সকল অসমত বসবাস কৰি থকা বড়ো কছাৰীসকলৰ বংশধৰ। সেয়েহে সোনোৱাল কছাৰীসকল বিভিন্ন ধৰ্ম, ভাষা, আচাৰ-ব্যৱহাৰ, অনুস্থান বড়ো সকলৰ প্ৰভাৱ বিদ্যমান।

সোনোৱাল কছাৰীসকলে আদিম যুগৰে পৰা সঁচ পৰিয়াল লগ-লাগি একোখন সৰু বা ডাঙৰ সমাজ পাতি বসবাস কৰে। গাঁওবিলাকত চাৰিওফালে ওখ ঢাপৰ ওপৰত বাহৰ জওৰা দি পান-তামোল, আম-কঠাল, ফলমূলৰে পৰিপূৰ্ণ একোখন গাঁও বৃহৎ বাৰী নিৰ্মাণ কৰে। গৃহ নিৰ্মাণ আহিলা হিচাপে নানা বিধ কাঠ, বাহ, বেতৰ ব্যৱহাৰ দেখা যায়। দৈনন্দিন জীৱনত ব্যৱহৃত বিভিন্ন আচবাব সোনোৱাল সকলে কাঠ বাহৰ পৰা তৈয়াৰ কৰি লয়।

সোনোৱাল সকলৰ প্ৰধান আহাৰ ভাত, মাছ, মাংস। ৰন্ধা-বঢ়াত সোনোৱাল সকল অতি পাকৈত। ভাপতে সিজোৱা বৰাচাউলৰ ভাত, মাটি মাহৰ শাক আৰু হাহৰ মাংস তেঁওলোকৰ এটি উপাদেয় আহাৰ। অন্য জনজাতিৰ দৰে ঘৰত প্ৰস্তুত কৰা পানী অৰ্থাৎ সুৰা তেঁওলোকৰ বাবে অপৰিহাৰ্য। এই সুৰা বা সাজপানী প্ৰস্তুত কৰিবৰ বাবে মদ পিঠা বিভিন্ন বনৌষধিৰে ৰাসায়নিক সংমিশ্ৰণেৰে ঘৰতে প্ৰস্তুত কৰি লয়। বিভিন্ন শাক পাচলীৰ লগতে বাহৰ গাজ, গাজৰ খৰিকা, সাজ টেঙা, কচুশাকৰ অঞ্জা, শুকতি শুকান মাছ, কাঠফুলা, সৰিয়হৰ খলিহৈ, গাঁহৰি মাংস, এড়ি পলুৰ লতা, আমৰলি টোপ তেঁওলোকৰ অতি জুতিৰ আহাৰ। কোমল চাউল, চিৰা, সান্দহ, আখৈ, কৰাই ভজা, ভজা পিঠা, কেছা পিঠা, ভাপত দিয়া পিঠা, চুঙা পিঠা, হাতীকান পিঠা, ঘিলা পিঠা, লুথুৰি পিঠা, দৈ, গুৰ, গাখীৰ এইবোৰ সোনোৱাল সকলৰ অতি প্ৰিয় জা-জলপান।

সোনোৱাল সকল ঘৰৰ যাৱতীয় সা-সৰঞ্জাম বা-বেতৰ পাচি খৰাহী, ডলা-চালনী, পল, জাকৈ, খালৈ, বাহৰ ধৰা-ঢাৰি , জাপি, তেলপেৰা বেতাৰী (সৰিয়হ পিহি তেল উলিওৱা সজুলী) কৃষিৰ সজুলী, ঘৰ- দুৱাৰ সজা আদিত শিল্প নৈপূন্যৰ নিদৰ্শন থাকে।

সেইদৰে সুদুভ অতীতৰ পৰা সোনোৱাল সকলে পাট কাপোৰ ববৰ বাবে প্রয়োজনীয় মুগা পলু পুহা শিল্পৰ সৈতে জড়িত এড়ি পলু, গছ মুগা আৰু নুনি পলু এই তিনিবিধ পলু পুহি তাৰ পৰা এড়ি সূতা, মুগা সূতা প্রস্তুত সোনোৱাল সকলৰ লোক শিল্পৰ অপূর্ব নিদর্শন।

সোনোৱাল নাৰীসকল বস্ত্র নির্মাণ কৰা শিল্পটো নিপুণ শিপিনী, সাজপাৰত সোনোৱাল জীয়াৰী সকল সচৰাচত তাঁত শালত বৈ উলিওৱা হাঁচতি (চিত্র-বিচিত্র কাপোৰ কিছুমান জোৰা লগাঁই অতি সুন্দৰকৈ নির্মাণ কৰা এখনি বস্ত্র)। হাচতি বিভিন্ন প্রকাৰৰ থাকে (যেনে সোনৰ সূতা দিয়া হাচতি, তামোল বন্ধা হাচতি, মুৰ হাচতি ) গামোচা চাঁদৰ আদি পৰিধান কৰে।

সেইদৰে সোনোৱাল সকলে অসমৰ প্রায়বোৰ নদীতে সোণৰ সন্ধান কৰিছিল। নদিৰ বালিৰ পৰা বিশেষ পদ্ধতিৰে সোণ আহৰণ কৰাত বিশেষ পাৰদর্শিতা প্রদর্শন কৰিছিল।

সমন্বয় সংস্কৃতিৰ ধর্ম অসমীয়া সংস্কৃতিও অসমত বসবাস কৰা বিভিন্ন জাতি বা জনগোষ্ঠীয় সংস্কৃতৰ সমন্বয়ৰ ফল। সেয়ে অসমত বসবাস কৰা প্রতিটোৰ জনগোষ্ঠীৰে সাজপাৰ বা আ-অলংকাৰৰ আৰ্হি সম্পূর্ণ সুকীয়আ বুলিব নোৱাৰী। বুকুত মেঠনি মাৰি মেখেলা পিন্ধাটো অসমৰ প্রায় সকলো জনগোষ্ঠীৰে সাধাৰণ বৈশিষ্ট্য। পৰম্পৰাগত অলংকাৰৰ আৰ্হিৰ ক্ষেত্রতো প্রায়ে মিল দেখা যায়। তেনেদভে মুগা বা পলু পুহা আৰু টাকুৰীত এড়ি সূতা কটাৰ পদ্ধতিৰো প্রায় সকলোৰে একে। কিন্তু ইয়াৰ মাজতে জনগোষ্ঠী সমূহৰ স্বকীয় বৈশিষ্ট্যও ৰক্ষিত হৈ আছে। উদাহৰণ স্বৰূপে বৰকাপোৰ অসমৰ প্রায় সকলো জনগোষ্ঠীৰে তৈয়াৰ কৰে যদিও ইয়াৰ ব্যৱহাৰ ৰীতি পার্থক্য আছে। সোনোৱাল কছাৰীসকলেও তেঁওলোকৰ সাজপাৰ আৰু আ-অলংকাৰৰ ক্ষেত্রত স্বকীয় বৈশিষ্ট্য ৰক্ষা কৰি আহিছে। এওলোকৰ বয়নশিল্প আৰু অসমীয়া সংস্কৃতিৰ অমূল্য সম্পদ।

**গ্ৰন্থপঞ্জী –**

১) কাগয়ুং, ড° মৃণালী : অসমৰ সংস্কৃতি অধ্যয়ন
শ্ৰী ৰমেশ প্ৰসাদ লডিয়া
সৰস্বতী প্ৰকাশক, ভাগৰতী প্ৰসাদ লডিয়া পথ
প্ৰথম প্ৰকাশক – আগষ্ট, ২০২০

২) দাস, অংশুমান : অসমৰ বাৰেবৰনীয়া সংস্কৃতি
প্ৰথম পকাশক – ২০১০ ডিচেম্বৰ

৩) দাস, অংশুমান : অসমৰ জনগোষ্ঠীয় লোকখাদ্য

৪) ভট্রাচাৰ্য, প্ৰমোদ চন্দ্ৰ : অসমৰ জনজাতি
প্ৰকাশক – ড০ প্ৰদীপ ভুঞা,
প্ৰথম প্ৰকাশ – ১৯৬২

৫) ৰাজখোৱা, অজন্তা : উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠী
সাজপাৰ আৰু আ-অলংকাৰ
প্ৰকাশক বনফুল প্ৰকাশক, ২০১৩

৬) হাজৰিকা, ড০ জিন্টু : সোনোৱাল কছাৰী সকলৰ লোকজীৱন
প্ৰকাশক - উজ্জ্বল পাও গাম

- ৰঞ্জিত গগৈ

# প্ৰসংগটোকা

১) দাস, ড° অংশুমান, অসমৰ জনগোষ্ঠীয় লোকখাদ্য , পৃ. ৭২,৭৩,৭৪,৭৫,৭৮,৮২

২) ৰাজখোৱা, অজন্তা, উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠী সাজপাৰ আৰু আ-অলংকাৰ,
পৃ. ২৯৬, ২৯৭, ২৯৯, ৩০০

৩) হাজৰিকা, ড০ জিন্টু, সোনোৱাল কছাৰী সকলৰ লোকজীৱন।
পৃ. ১৫, ১০৮, ১০৯, ১১০, ১১২, ১১৩, ১১৪, ১১৫, ১১৬, ১৩৩, ২১২, ২১৩

৪) ভট্ৰাচাৰ্য, প্ৰমোদ চন্দ্ৰ, অসমৰ জনজাতি, ৭০,৭১,৭২

৫) কাগয়ুং, ড০ মৃণালী, অসমৰ সংস্কৃতি অধ্যয়ন, পৃ. ২২৬, ২২৭

তথ্য দাতাৰ পৰিচয় –

বিভিন্ন জন অভিজ্ঞ সকলৰ সাক্ষাৎকা গ্ৰহণ কৰা হৈছিল –

১) নাম – শ্ৰীমতী অনিমা কছাৰী
গাঁও – বৰপাছী, ডাক – টিপমীয়া, থানা – বৰহোলা
জীৱিকা – গৃহিণী, বয়স – ৬০

২) নাম – শ্ৰীমতী মনিষা শইকীয়া
গাঁও – শদিয়াল কছাৰী, ডাক – টিপমীয়া
জীৱিকা – গৃহিণী, বয়স – ৪০

৩) শ্ৰীমতী ললিতা কছাৰী
গাঁও – বৰপাছী, ডাক – টিপমীয়া
জীৱিকা – গৃহিণী , বয়স – ৪০

৪) নাম – শ্ৰীমতী বিমলা সোনোৱাল
গাঁও – চেৰেলি ন-পাম, থানা – বৰহোলা
জীৱিকা – গৃহিণী, বয়স – ৫০

৫) নাম – শ্ৰীমতী প্ৰিয়ংকা দাস
গাঁও – নতুন গোহাই গাঁও, থানা- তিতাবৰ
জীৱিকা – গৃহিণী, বয়স – ৪০

# আলোকচিত্ৰ

## সোনোৱাল কছাৰী সকলৰ খাদ্য, সাজপাৰ আৰু আ-আলংকাৰ








